# চান্দমামা

অকটʼবাৰ ১৯৯৬





# CHANDAMAMA

It unfolds the glory of India—both past and present—through stories, month after month.

Spread over 64 pages teeming with colourful illustrations, the magazine presents an exciting selection of tales from mythology, legends, historical episodes, glimpses of great lives, creative stories of today and knowledge that matters.

**In 11 languages and in Sanskrit too.**

Address your subscription enquiries to:
**DOLTON AGENCIES** 188 N.S.K. ROAD MADRAS-600 026

# ডায়মণ্ড কমিক্সৰ
## সফলতাৰ বাঢ়ি যোৱা খোজ
ডায়মণ্ড কমিক্সৰ

# বিশেষ সংখ্যা
# চাচা চৌধুৰী আৰু ৰাকৰ প্ৰলয়

## এক লাখ টকাৰ নগদ পুৰস্কাৰ

'ৰং ভৰা' প্ৰতিযোগীতাত অংশ গ্ৰহণ কৰা
আৰু বহুতো পুৰস্কাৰ জিকি লোৱা

### চাচা চৌধুৰীৰ প্ৰকাশিত আন কমিক্স

- চাচা চৌধুৰী আৰু ৱৰ্ল্ডকাপ
- চাচা চৌধুৰী টোকিওত
- চাচা চৌধুৰী আৰু বিং বেং
- চাচা চৌধুৰী আৰু বান্দৰৰ দেশত
- চাচা চৌধুৰী আৰু আফলাতুন
- চাচা চৌধুৰী আৰু দেহৰাদুন এক্সপ্ৰেছ

### ডায়মণ্ড কমিক্সত

চাৰিশ বছৰৰে পৰা বংশানুক্ৰমে অন্যায় অবিচাৰ আৰু নৃশংসতাৰ বিৰুদ্ধত অকলেই খুঁজি আহিছে ; লী ফক দ্বাৰা গঢ়া এটি অসাধাৰণ চৰিত্ৰ–ফ্যান্টম। সৰু ডাঙৰ সকলোৰে মন জয় কৰি আহিছে ফ্যান্টম

- ফ্যান্টম ডাইজেস্ট-54
- ফ্যান্টম ডাইজেস্ট-55
- ফ্যান্টম ডাইজেস্ট-56
- ফ্যান্টম ডাইজেস্ট-57

ডায়মণ্ড কমিক্স প্ৰা.লি. X-30, ওখলা ইণ্ডাষ্ট্ৰিয়েল এৰিয়া, (ফেজ-2) নতুন দিল্লী-110 020

# Hey kids! Watch Sachin and your other cricket heroes come alive with Rasna Spread Maker.

World Cup-96 Achievers Collection

## FREE

**Cricketer Card In Every Pack**

**Each pack of Rasna Spread Maker has an all fact packed Cricketer card. There are 25 of them for you to collect!**

Hey, all you cricketing kids!
The excitement begins when you open your favourite Rasna Spread Maker pack. No. We are not just talking about the 500g of delicious spread that your mama can make with it.
This time, there's something very special.
Just for you. Each pack of your favourite Rasna Spread Maker now has **one exciting Cricketer Card** for you. And that too, FOR FREE!!
The bonus, of course is that you can have all the delicious spread that you really love! So liven up that sandwich, chapati or puri. With Rasna Spread.

**Packs also available without this offer**

Delicious
Economical
Easy to make
Rasna
SPREAD MAKER
MAKES FOOD YUMMIER
MIXED FRUIT
Mudra:EAMR:9400
The Rasna Spread Maker Cricket Bonanza
Hurry kids! Offer open till 31st December, 1996.
Set of 25 cards with 5 coupons*
RASNA SPREAD MAKER CRICKET GAME
An exciting Cricket game with 10 coupons*
CRICKET COUPON
SEND
5 coupons for a set of 25 Cricketer Cards
10 coupons for an exciting Cricket Game
SPECIMEN
*Cut the Cricketer Coupons from the Rasna Spread Maker packs and mail them to : P.O.Box No. 4225, Ahmedabad - 380 009.

# চান্দমামা

*

অকটবাৰ ১৯৯৬

এই * আছে
সংখ্যাত

*


| | | | | | |
|---|---|---|---|---|---|
| শৈশৱ সংৰক্ষণ | : | ৭ | সাগৰৰ পাৰে পাৰে | : | ৩৩ |
| বিশেষ বাতৰি | : | ৯ | ৰাক্ষসে কৰিলে ৰক্ষা | : | ৩৭ |
| জীৱনৰ গুলৈয়া নাৱত | : | ১০ | সোণালী ছুৰাৰ | : | ৪১ |
| সবাতেকৈ প্ৰিয় | : | ১৫ | মহাভাৰত | : | ৪৫ |
| ৰূপধৰৰ যাত্ৰা | : | ১৭ | চান্দমামা-ক্ৰোড়পত্ৰ | : | ৫৩ |
| চান্দ-সম্বাদ | : | ২৪ | ক্ষমতাৰ নহয় দক্ষতাৰ দাম | | ৫৭ |
| বেহানিৰ বিহ | : | ২৫ | ফটো-প্ৰতিযোগিতা | : | ৬৬ |
| দূষণৰ মৰণ | : | ৩১ | | | |


*


চান্দমামা : খনে : ৬'০০ টকা মাথোন
বছৰেকীয়া বৰঙনি : ৭২'০০ টকা মাথোন


গৌতম গোস্বামী
৭৫/১০/১৯৯৬




# চান্দমামা

সংস্থাপক : ‘চক্রপাণি’ ❖ সঞ্চালক : নাগিৰেড্ডি


## শৈশৱ - সংৰক্ষণ

যোৱা জুনত, পৃথিৱীৰ সৰ্বমুঠ ১৮০খন দেশৰ শ্ৰমমন্ত্ৰীবৰ্গ জিনিভা নামৰ নগৰখনত লগ লাগিছিলহি বিশ্বৰ শিশু শ্ৰমিকহঁতক একপ্ৰকাৰৰ দাসত্ব-মুক্ত কৰি সিহঁতৰ শৈশৱ-সংৰক্ষণৰ বাপ-দায় ল'বলৈ। ঢেৰ ঢেৰ আলোচনাও হ'ল বিলোচনাও হ'ল — পিছে উপায় কিবা ওলালনে? আন্তৰ্জাতিক শ্ৰম-প্ৰতিষ্ঠানৰ (International Labour Organisation — অৰ্থাৎ চমুতে ILO) সদ্য-প্ৰকাশিত এক তথ্য মতে — কেৱল ভাৰত, ইন্দ'নেজিয়া, আৰু আফ্ৰিকাৰ ঘানা, ছেনেগালতে হেনো ৭৩,০০০,০০০ শিশু ল'ৰা-ছোৱালীয়ে সিহঁতৰ পাৰিয়াল-পৰিজনৰ বাবে শৈশৱক দলিয়াই পেলাই ই-কাম সি-কাম বিধোবিধ কাম কৰিবলৈ বাধ্য হয়। সিহঁতে যদি কাম নকৰে — প্ৰহাৰ, আশ্ৰয় হেৰুউৱা, অনাহাৰ ইত্যাদিৰ সন্মুখীন হ'ব লাগিব। এয়া হ'ল ILO-ই দিয়া তথ্য — পৃথিৱীৰ মাথোন চাৰিখন দেশৰ। বাদ-বাকীত কি আছে — এতিয়াও সেই মেকুৰী জোলোঙাৰপৰা ওলোৱা নাই। গতিকে — বাঘাম্বৰ পিন্ধি অহা বৰ বৰ মানুহৰ সন্মিলন হোৱা সত্ত্বেও শিশু-শৈশৱ উদ্ধাৰিত নহ'ল, বা হোৱাৰ কোনো লা-লক্ষণো দেখা নগ'ল।

এই বিষয়ে বৰঞ্চ ভাৰতৰ শিল্পপতিসকলৰ সমিতিৰ ফালৰপৰা যি কোৱা হৈছে, সি অধিক মনকৰিবলগীয়া। তেওঁলোকে কৈছে: শিশুসকলৰ শিকলি-মুক্তিৰ বাবে পোনতে পৰিয়ালৰ উন্নতিকে সধা হওক।

কিন্তু আমাৰ দেশৰ যি ঋণ-জৰ্জৰিত অৱস্থা - তাৰে লাখ-বিলাখ পৰিয়ালৰ সাৰ্বিক উন্নতি সধাটো কিমানলৈকে বাস্তৱ — ভাবিবলগীয়া। ভাল ভাল কথা ভাল, ভালৰি বোলোৱা আৰু ভাল, কিন্তু এইবোৰ ভালেই যদি কালৰ গৰ্ভত হেৰাই যায় — তেতিয়া আৰু শিশুৰ শৈশৱ-মুক্তকৰণ — সম্ভৱ নে?


বছৰ : ২১ অকটবাৰ ১৯৯৬ সংখ্যা : ৭

খনে : ৬.০০ টকা বছৰেকীয়া বৰঙনি : ৭২.০০ টকা মাথোন।




Rs. 30/-




Rs. 40/-




Rs. 30/-




Rs. 30/-




Rs. 25/-




Rs. 30/-

**CHANDAMAMA BOOKS ARE ALREADY A LEGEND! THEY OPEN A NEW HORIZON ON THE WORLD OF LITERATURE FOR THE YOUNG**

Added to the six titles by **Manoj Das** is the charming seventh–

**WHEN THE TREES WALKED**

by the inimitable story-teller **Ruskin Bond**




Rs. 30/-

Among the titles in the process of production are:

**STORY OF KRISHNA**
**STORY OF RAMA**
**STORY OF BUDDHA**

For details, write to:

**CHANDAMAMA BOOKS**
Chandamama Buildings
Vadapalani, Madras - 600 026.

পৃথিৱীৰ খিৰিকীৰে—

# দ্বিতীয় মহিলা প্ৰধানমন্ত্ৰী

বাংলাদেশ আমাৰ প্ৰতিবেশী দেশ। এই দেশৰ প্ৰথমগৰাকী মহিলা প্ৰধানমন্ত্ৰীৰ নাম আছিল—খালিদা জিয়া। ১৯৯১ চনৰপৰা ১৯৯৩ চনলৈ এওঁ দেশৰ শাসনভাৰ কঢ়িয়াইছিল। তাৰ পাছত পুনৰ নিৰ্বাচনত বিজয়ী হৈছিল আৰু তেওঁ পুনৰ প্ৰধানমন্ত্ৰী হৈছিল। কিন্তু এই নিৰ্বাচনক বিপক্ষ দলে বৈধ নিৰ্বাচন বুলি মানি নোলোৱাত দেশব্যাপী আন্দোলন হ'ল, আৰু তাৰ ফলত খালিদা জিয়া ছাহিবাই ইস্তফা দিলে। যোৱা জুন মাহৰ ১২ তাৰিখে পুনৰ নিৰ্বাচন অনুষ্ঠিত হ'ল আৰু তেতিয়া অন্য দলৰ কিছুসংখ্যক সদস্যৰ সমৰ্থনত শেখ হাছিনা ওৱাজিদে এক সংখ্যালঘু চৰকাৰ গঠন কৰিলে। আৰু তেওঁ হ'ল বাংলাদেশৰ দ্বিতীয় মহিলা প্ৰধানমন্ত্ৰী।

বাংলাদেশৰ ৰাষ্ট্ৰপিতা আছিল প্ৰখ্যাত দেশ-সেৱক বংগবন্ধু শেখ মুজিব-উৰ-ৰহমান। তেওঁৰে ডাঙৰজনী ছোৱালী হ'ল শেখ হাছিনা ওৱাজিদ। মুজিব-উৰ-ৰহমান আছিল আওৱামী লীগ-অৰ নেতা। তৎকালীন পূৰ্ব-পাকিস্তানী কৰ্তৃপক্ষৰ বিৰুদ্ধে, তথা সামগ্ৰিকভাৱে পাকিস্তানী কৰ্তৃপক্ষৰ বিৰুদ্ধে বংগবন্ধু মুজিবে ঘোৰতৰ সংগ্ৰাম কৰিছিল, আৰু তেতিয়া পূৰ্ব পাকিস্তানৰপৰা লাখ-বিলাখ শৰণাৰ্থী ভাৰতবৰ্ষলৈ পলাই আহিবলৈ বাধ্য হৈছিল। ১৯৭১ চনত—এই কথাতে ভাৰতৰ সৈতে পাকিস্তান যুদ্ধলিপ্ত হৈ পৰিছিল, আৰু তাৰ অনিবাৰ্য্য ফলস্বৰূপে এক নতুন ৰাষ্ট্ৰই জন্মলাভ কৰিছিল—যাৰ নাম—বাংলাদেশ।

১৯৭২ চনত মুজিব-উৰ-ৰহমান বাংলাদেশৰ ৰাষ্ট্ৰপতি হ'ল, আৰু ১৯৭৫ চনৰ অগাষ্টৰ ১৫ তাৰিখৰ দিনা ৰাজধানী ঢাকাত তেওঁ তেওঁৰ পৰিয়াল-পৰিজনৰে সৈতে ৰাষ্ট্ৰপতি মুজিবক হত্যা কৰা হ'ল। মুজিব-কন্যা শেখ হাছিনা তেতিয়া জাৰ্মানিত। আৰু এই কাৰণত তেওঁ হত্যাকাৰীহঁতৰ হাত সাৰিবপৰা হ'ল।

১৯৭৭ চনত বাংলাদেশ পুনৰ বিক্ষুব্ধ হৈ উঠিল। তেতিয়া জিয়া-উৰ-ৰহমানে ৰাষ্ট্ৰপতিৰ দায়িত্ব ল'লে, কিন্তু ১৯৮১ চনত তেওঁকো হত্যা কৰা হ'ল।

আৰু তাৰ পাছত ৰাষ্ট্ৰপতিৰূপে বাংলাদেশত উদিত হ'ল জেনেৰেল হুচেইন মহম্মদ ইৰছাদ। ১৯৮৬ চনত সামৰিক শাসন প্ৰত্যাহৃত হ'ল, আৰু জনাব ইৰছাদৰ পাৰ্টি 'জাতীয় পাৰ্টি'য়ে নিৰ্বাচনত শাসনভাৰ লাভ কৰিলে। কিন্তু তথাপি বাংলাদেশত অশান্তিৰ জুই উমি উমি জ্বলি আছিল। তথাপি ১৯৯১ চনলৈকে জনাব ইৰছাদে শাসন চলাইছিল।

তাৰ পাত, ১৯৯১ চনতে যি সাধাৰণ নিৰ্বাচন হ'ল, সেই নিৰ্বাচনত মৃত জিয়া-উৰ-ৰহমানৰ বিধৱা পত্নী খালিদা জিয়াৰ নেতৃত্বত 'বংলাদেশ ন্যাশানালিষ্ট পাৰ্টি'য়ে ক্ষমতা হস্তগত কৰিলে, আৰু জেন্যাৰেল হুচেইন মহম্মদ ইৰছাদক কাৰাৰুদ্ধ কৰা হ'ল।

ইতিমধ্যে মুজিব-উৰ-ৰহমানৰ ডাঙৰ ছোৱালী শেখ হাছিনা জাৰ্মানিৰপৰা স্বদেশলৈ উভতি আহিল আৰু তেওঁ আওৱামী লিগ দলৰ নেতৃত্ব গ্ৰহণ কৰিলে।

তাৰ পৰৱৰ্তী নিৰ্বাচনত বাংলাদেশৰ সংসদৰ ৩০০ খন আসনৰ মাজত শেখ হাছিনাৰ আওৱামী লিগ দলে ১৪৩ খন আসন লভি, বাংলাদেশৰ জাতীয় পাৰ্টিৰ ত্ৰিছ জন সদস্যৰ সমৰ্থনত সংখ্যালঘু চৰকাৰ গঠন কৰিলে।

কাৰাবন্দী জেনেৰেল ইৰছাদে কাৰাগাৰৰপৰা শেখ হাছিনাৰ চৰকাৰলৈ তেওঁৰ আৰু তেওঁৰ পাৰ্টিৰ ফালৰপৰা একেবাৰে নিঃচৰ্ত খোলাখুলি সমৰ্থন জ্ঞাপন কৰিলে।

শেখ হাছিনাই সংসদত ভাষণ প্ৰসংগে কৈছে: "যদিও এই চৰকাৰ সংখ্যালঘু চৰকাৰ, তথাপি, দেশৰ গুৰুত্বপূৰ্ণ সমস্যাসমূহৰ সমাধানাৰ্থে এই চৰকাৰে প্ৰাণপণে চেষ্টা কৰি থাকিব।

# জীৱনৰ গুলৈয়া নাৱত

কমলনাথ সৰুতেই অনাথ হৈছিল. মাক-দেউতাক দুয়ো স্বৰ্গী হৈছিল, আৰু তেতিয়াৰেপৰাই আইতাকেই তাক তুলি-তালি ডাঙৰ-দীঘল কৰিছিল। আইতাকে কমলনাথক কেৱল ডাঙৰ-দীঘলেই কৰা নাছিল, কমলৰ পঢ়া-লিখাৰো বন্দৱস্ত কৰিছিল, যাৰ যহতে—চাকৰি এটি পাই—কমলনাথ চহৰীয়া হ'ব পৰিছিল।

একেইখন গাঁৱত কমলৰ বায়েক কুসুমবো বিয়া হৈছিল, এতিয়া কুসুমেই আইতাকৰ চোৱা-চিন্তা কৰি থাকিল।

এদিন আইতাকৰ টান বেমাৰৰ খবৰ পাই কমল গাঁৱলৈ আহিল। আইতাকৰ তেতিয়া যোৱা-থোৱা অৱস্থা।

তথাপি আইতাকে তেওঁৰ অতিকে মৰমৰ কমলক কাষত বহুৱাই লৈ হেঁপাই-ফোঁপাই ক'লে, "কমল. যোৱা দুবছৰ ধৰি তোক মই—মই জীয়াই থকাতে বিয়াখন কৰাবলৈ কৈ আছোঁ। এতিয়া সেৱাৰ পৰত মোৰ ইচ্ছা পূৰাবিনে ?"

কিন্তু আইতাকে যিজনীক বিয়া কৰাবলৈ কয়—সেইজনী একেবাৰে যাক বোলে—খোপাত ফেঁচু চৰাই ৰৱতীহে। যদিও সেইজনীয়েই আইতাকৰ সুখে-দুখে টানে-মস্কিলে কৰিছে-ধৰিছে — তথাপি বিয়া বোলা কথা—এইজনী ইমান যে গাঁৱলীয়াৰো গাঁৱলীয়াজনী।

তথাপি, মনৰ ইমান অনিচ্ছা সত্ত্বেও, বাইদেৱেক কুসুমৰ আৰু মৃতুমুখী আইতাকৰ কথাতো—কমলনাথে কমলাজনীক কৰালে বিয়া।

আৰু বিয়া কৰোৱাৰ সাদিনৰ পাছতেই

মাধৱীলতা মহন্ত

—কমলে কমলাক লৈ চহৰলৈ বুলি খোজ ল'লে। খোজ ল'লে মানে—এখন ভাড়ালৈ লোৱা গাড়ীত উঠি ৰাওনা দিলে।

ওলাওঁতে আইতাকে কৈছিল, "এই মাহতে শ্ৰীৰামৰ মন্দিৰলৈ যাবি কিন্তু, নে পাহৰিবি। তহঁতে তো হয়েই—মোৰ নামতো নৈবেদ্য উছৰ্গা কৰিবি, মই মানস কৰিছিলোঁ তোৰে বিয়াৰ কথাত।"

গৈ থাকোঁতে—গাড়ীত বহি কমলে কমলাক কৈ থাকিল, "শুনিছানে—? তুমি কিন্তু—যাক বোলে—একদম গাঁৱলীয়া—গাঁতৰ এন্দুৰহেন হৈ আছা। চহৰলৈ গৈ চহৰৰ জলমল পোহৰ-তোহৰ দোকান-সমাৰ দেখি ভেলেণ্ডীজনীৰ দৰে ভেবুৱা নালাগা, গছত গৰু উঠা দেখা দি নেদেখা। হোঁ, আৰু কেতিয়াবা হাঁহিবা যে—আলুলৈকে মূলা-দাঁত নুলিয়াবা যেন। আৰু—গাঁৱলীয়াৰ দৰে সকলো কথাতে কথা নক'বা, খৰধৰ নকৰিবা।"

"শুনা,—" কমলনাথে কৈ থাকিল, "তুমিনো তোমাৰ চুলিখিনি তেনেকৈ—এটা কুত্তাৰ নেগুৰৰ দৰে গুঠিছা কিয়? এনেকৈ বেণী গুঠিলে দেখোন সাইলাথ কুত্তাৰ নেগুৰডাল যেনহে দেখি। আৰু সাজ-পাৰতো চহৰীয়া হ'ব লাগিব বে—কিয়—আনক দেখিও নেদেখা-নুবুজা যে জানিছানে নাই? যদি এনেকৈয়েই ভেলেণ্ডীজনী হৈ থাকা—গাঁৱত আইতাৰ ওচৰতে পেলাই থৈ আহিম।"

এদিন কমলাজনীয়ে গিৰিয়েক কমলক শ্ৰীৰাম মন্দিৰলৈ যোৱাৰ কথা সোঁৱৰাই দিলে। কমলনাথে ক'লে, "আইতাৰ বেমাৰ, আৰু তোমাক বিয়া কৰাৰ কাৰণে দহদিনৰ ছুটি ল'লোঁৱেই। আমাৰ মালিকৰ নাম হ'ল — উগ্ৰনৰসিংহ। স্বভাৱতো সিংহয়েই। সদায় গৰ্জিয়েই থাকে। এতিয়া এদিনৰ ছুটি বিচাৰিলে চিৰদিনলৈ যে ছুটি দিব—সেই কথা ধুৰূপেই।"

কমলাই ক্ষন্তেকমান ভাবি লৈ ক'লে, "তোমালোকৰ মালিকৰ নাম হ'ল—উগ্ৰনৰসিংহ। তেনেহ'লে—তেওঁলোকৰ কুলদেৱতা নিশ্চয় নৰসিংহাৱতাৰেই হ'ব। শ্ৰীৰাম মন্দিৰৰ কথা নকৈ নৰসিংহ



A55-F-2



মন্দিৰলৈ পূজা আগ কৰিবলৈ যোৱাৰ কথা ক'লেই ছুটি মঞ্জুৰ হৈ যাব।"

আৰু—কথা আচৰিতেই — কমলাৰ বুদ্ধিমতেই কাম সিজিল। এদিনৰ ছুটি মঞ্জুৰ হোৱাত পাছদিনা ধলপুৰাতে পতি-পত্নী গাড়ী এখনত উঠি ৰামপুৰলৈ বুলি ৰাওনা হ'ল। বাটত কমলে দুপাট খাৰু তাৰ চোলাৰ জেপৰপৰা উলিয়াই আনি আৰু ক'লে, "কমলাক দেখুৱালে খাৰু দুপাট হ'ল-আমাৰ বাইদেউৰ। দেখিছানে কেনে নতুন ধৰণৰ খাৰু? ৰামপুৰৰ ৰবিসোণাৰিৰ দোকানত পুৰণিদিনীয়া চুড়ি-খাৰুৰ সলনি নতুন খাৰু দিয়ে। হোঁ—লোৱা, বাকচত থৈ দিবা।"

ৰামপুৰ পাওঁতে দুপৰীয়া হ'ল। তাত এখন ধৰমশালা আছিল। দুয়ো তালৈ গ'ল। কিন্তু ধৰমশালাত কোনো কোঠা খালী নাই। পৰিশ্ৰান্ত কমলনাথ হতাশ হ'ল। কিন্তু কমলাই ধৰমশালাৰ ৰখীয়া মানুহজনক ক'লে,"ৰামশাস্ত্ৰীজীয়ে আমাৰ ঘৰলৈ যেতিয়াই গৈছিল, তেতিয়াই কৈছিল যে—তেওঁৰ নাম কৰিলেই কোঠা এটা পাম, আৰামত থাকিম। পিছে—"

ৰামশাস্ত্ৰীজীৰ নাম শুনাৰ লগে লগেই ধৰমশালাৰ ৰখীয়াজনে কৈ উঠিল, "ৰ'ব— ৰ'ব। কোঠা এটা এতিয়াই খালী হ'ল যে—পাহৰি আছিলোঁ। হৈ যাব।"

এইবাৰো কমলাৰ বুদ্ধিয়ে গুণ দিলে।

পাছত কমলে কমলাক সুধিলে, "ৰামশাস্ত্ৰীনো কোন? আৰু — তুমি কেনেকৈনো জানিলা তেওঁক?"

"ৰামশাস্ত্ৰী হ'ল এই ধৰমশালাৰ প্ৰতিষ্ঠাতা, —আৰু তেওঁ তেওঁৰ পিতৃৰ নামত যে এই ধৰমশালাখন স্থাপিছিল— বাহিৰ শ্বেত-পাথৰৰ ফলিত লিখা আছে। চকু-কাণ সজাগ ৰাখিলে বহুত নজনাকো জানিব পাৰি, নুবুজাক বুজিব পাৰি।"

এইবাৰ গাঁতৰ এন্দুৰ কমলা গাঁৱলীয়া ভেলেউজনীৰ কথা শুনি চহৰীয়া বাবুভায়া কমলেই ভেবা লাগিল।

তাৰ পাছত পতি-পত্নী গ'ল শ্ৰীৰাম মন্দিৰলৈ পূজা আগ কৰিবলৈ। কিন্তু— তিমানতে আগ কৰাৰ বাবে নিৰ্দিষ্ট সময়

উকলি গৈছিল—পূজাৰীয়ে মন্দিৰৰ ঘাই দুৱাৰ বন্ধ কৰি আছিল। কমলনাথে পূজাৰীক বহু ধৰণে অনুনয়-বিনয় কৰিলে, কিন্তু ফল নহ'ল, বন্ধ দুৱাৰ খুলিব নোৱাৰে।

তেতিয়া কমলাজনীয়ে পূজাৰীক ক'লে, "আমাৰ ভাগ্যত ভগৱান শ্ৰীৰামজীৰ দৰ্শন নাই। আমি এতিয়াই উভতি যাবই লাগিব, গতিকে এইবাৰলৈ আৰু নহ'ল। তথাপি—ভগৱান শ্ৰীৰামজীৰ পুৰোহিত-পূজাৰীৰো যে দৰ্শন লাভ কৰিলোঁ—কম ভাগ্যৰ কথা নহয়। যি হওক—আমি আমাৰ দান-দক্ষিণাখিনি মন্দিৰৰ বাহিৰত থকা চন্দুকত দি থৈ যাম। থালীত দিম বুলি মনস্থ আছিল, নহ'ল!"

পূজাৰীয়ে জানিছিল যে—ভক্তসৱে থালীত দিয়া দান-দক্ষিণা — পূজাৰী-পুৰোহিতৰ প্ৰাপ্য; কিন্তু চন্দুক খুলিব নোৱাৰে তেওঁ, চন্দুকৰ চাবি—মন্দিৰৰ মালিকৰ কঁকালত।

গতিকে—বুদ্ধিমন্ত পূজাৰীয়ে আৰু বিলম নকৰি মন্দিৰৰ দুৱাৰ পুনৰ খুলি দিলে, আৰু ভগৱান শ্ৰীৰামৰ দৰ্শন-প্ৰণামৰ অন্তত কমলাই আইতাকৰ নামত সৰু টোপোলা এটি থালীত থৈ দিলে।

"তোমাৰ বুদ্ধিতহে আজি চিত্তশুদ্ধি হ'ল, শ্ৰীৰামজীৰ দৰ্শন হ'ল। পিছে—আইতাৰ নামত দিয়া টোপোলাটোতনো কি আছিল?" কমলে কমলাক সুধিলে।



"পিতলৰ প্ৰদীপ এটি।" কমলাই হাঁহি হাঁহি ক'লে।

দুয়ো ধৰমশালালৈ গৈ থাকিল। বাটত সোণৰ গহনাৰ দোকানবিলাকলৈ আঙুলিয়াই কমলনাথে কমলাক ক'লে, "তুমি ধৰমশালালৈ গৈ সেই খাৰুযোৰ লৈ আহা, মই চাওঁ—কোনখন দোকানত নতুন ধৰণৰ কি গহনা আছে। তোমাক এতিয়াই কিনি দিম।"

কমলায়ো ধৰমশালা পালে, আৰু প্ৰায় লগে লগেই যুৱক এজনে তাইক ক'লেহি, "মই সোণৰ দোকানৰ কৰ্মচাৰী, আপোনাৰ তেওঁ মোক পঠালে সোণৰ খাৰুযোৰ লৈ যাবলৈ।"

কমলাৰ মনত সন্দেহ হ'ল। কিন্তু

মনৰ সন্দেহ মুখেৰে প্ৰকাশ নকৰি কমলাই যুৱকক ক'লে, "কেৱল খাকুযোৰহেনে? চন্দ্ৰহাৰ লৈ যাবলৈ কোৱা নাইনে? তুমি বাৰু তেওঁক পুনৰ সুধি আহাগৈচোন যে চন্দ্ৰহাৰো পঠাব লাগেনে নালাগে।"

যুৱকজন খৰধৰকৈ গুচি গ'ল, আৰু পুনৰ উভতি আহি কমলাক ক'লে, "ওঁ ওঁ, চন্দ্ৰহাৰো লৈ যাবলৈ কৈছে মোক।"

"দিছোঁ, ৰ'বা।" এই বুলি কৈয়েই কমলাই 'চোৰ' 'চোৰ' বুলি কৈ কৈ চিঞৰি উঠিল, আৰু সেই প্ৰতাৰক যুৱক নিমিষতে নোহোৱা হ'ল।

পাছত—কমলনাথক কমলাই যেতিয়া ঘটনাৰ কথা ভাঙি-পাতি ক'লে।

তাৰ পাছত দুয়ো চহৰলৈ উভতি আহিল। ওভতোঁতে ঢেৰ ৰাতি হৈছিল। সিহঁতহালে আচৰিত হৈ চালে যে—সিহঁত ঘৰৰ দুৱাৰ খোলা! সিহঁতে ঘৰত তলা লগাবলৈ পাহৰি থাকিলনে?

কিন্তু ঘৰৰ ভিতৰত আন্ধাৰে-মুন্ধাৰে কোনোবাই ঘূৰা-ফুৰা কৰাৰ শব্দ উঠি আছিল। কমলনাথে 'চোৰ' 'চোৰ' বুলি চিঞৰিবলৈ লওঁতেই কমলাই কমলক ৰখালে আৰু দুৱাৰৰ কেৰায়াত ধৰি খটখটাই ক'লে, "কোন আছে ঘৰত? আমি আজি ৰাতিছোৱা আপোনালোকৰ ঘৰত থাকিব পাৰিমনে? আমাৰ লগত কিছু ধন আছে, গতিকে—"

দীঘল মোচ থকা মানুহ এজন ঘৰৰ ভিতৰৰপৰা ওলাই আহিল, আৰু সেই মানুহজনৰ হাতত টোপোলা এটা গটাই দি—দুয়ো ঘৰৰ ভিতৰ পালেগৈ।

ৰাতিছোৱা আৰাম কৰি টোপনিয়াই ধলপুৱাতে সিহঁতহালে দেখিলে যে—সেই 'গৃহস্থবস্তু'ৰূপী চোৰটো তাত আৰু নাই!

এই কথাত দুয়ো লুটিয়াই-বগৰাই হো-হোৱাই হাঁহিলে আৰু এই ঘটনাৱলীৰ পাছৰপৰা কমলনাথে গাঁৱলীয়া কমলাজনীৰ সৈতে জীৱনৰ গুলৈয়া নাৱত উঠি সুখেৰে ব'ঠা বাবলৈ ধৰিলে।

# সবাতোকৈ প্ৰিয়

গোকৰ্ণ আছিল অতি সমৃদ্ধ দৰ্শনীয় গাঁও। এইখন গাঁৱতে এতদঞ্চলৰ সৰাতোকৈ ডাঙৰ আৰু জন-সমাগম থকা শিৱ-দ'ল অৱস্থিত। এই গাঁৱত এখন অতি মনোহৰ উদ্যান-বন আছে, আছে এক স্থায়ী নাট্য-নৃত্য-মন্দিৰ—য'ত পুৱাৰপৰা গধুলিলৈকে নাট্য-নৃত্য বিষয়ক চৰ্চ্চা চলি থাকে—আৰু আছে এখন বৃহৎ পুথি-ভঁৰাল।

এদিন আন এখন গাঁৱৰপৰা—চৰণপুৰৰপৰা মাধৱ আহিল গোকৰ্ণলৈ। ইয়াত মাধৱৰ দূৰ-সম্পৰ্কীয় পেহাদেউৰ ঘৰ। পেহাদেউৰ চাৰিজন ল'ৰা, চন্দ্ৰ, ৰবি, সোম, আৰু ধ্ৰুৱ। ডাঙৰ হ'ল চন্দ্ৰ মাধৱৰে বয়সৰ। চাৰিও ভাই-ককাই—মাধৱ অহাত অতি আনন্দিত। সিহঁতে সিহঁতৰ গাঁৱৰ দ্ৰষ্টব্যবোৰ মাধৱক লগত লৈ এটা এটাকৈ দেখুৱালে।

মাধৱে ক'লে, "ইমান যেমনমোহা তোমালোকৰ গাঁও! চাৰিদিনমান থাকিম বুলি আহিছিলোঁ, পিছে এতিয়া চল্লিছ দিনলৈ থাকিবৰ মন গৈছে।"

গাঁৱৰ প্ৰশংসা শুনি চাৰিওজনেই ভাল পালে আৰু চাৰিওজনেই মাধৱক সুধিলে যে মাধৱে গাঁৱৰ কি বস্তু আটাইতকৈ ভাল বুলি ভাবিছে।

কিঞ্চিত বিমোৰত পৰা যেন হৈ মাধৱে সিহঁতক ক'লে, "আচল কথা হ'ল—'আটাইতকৈ ভাল' বোলা একো নাই। সকলো ঠাইতেই কিছু বৰ ভাল কিছু কম ভাল—থাকেই। তোমালোকৰ এজন এজনকৈ চাৰি ঠাইত থাকি আহাগৈ—তেতিয়া মোক ক'বাহি—তোমালোকৰ

স্নেহলতা শৰ্মা

আটাইতকৈ প্ৰিয় ঠাই, প্ৰিয় বস্তু কি। তাৰ পাছত মই মোৰ মতামত দিম।"

মাধৱৰ প্ৰস্তাৱমতে চাৰিও চাৰি ঠাইলৈ গ'ল, আৰু চাৰি দিনলৈ থকাৰ অন্তত পুনৰ ঘূৰি আহিল। তেতিয়া সিহঁতৰ জ্ঞানোদয় হ'ল যে— সকলো ঠাইতেই কিছু-কিঞ্চিত বিশেষত্ব থাকে।

সিহঁতৰ কথা শুনাৰ অন্তত মাধৱে সিহঁতক ক'লে, "চোৱা, ইমান দিন ধৰি তোমালোকে কেৱল তোমালোকৰ গাঁৱৰ গৌৰৱতেহে মছগুল হৈ আছিলা।"

কিন্তু মাধৱৰ কথা— সঠিক যেন নালাগিল, সিহঁতৰ ধাৰণা হ'ল যে—মাধৱে বঢ়া কথাহে কৈছে।

সিহঁতৰ মনৰ কথাৰ উমান লৈ মাধৱে ক'লে, "বাৰু, এইন গাঁৱত আমাৰ প্ৰিয় ঠাই—বা বস্তুনো কি? তাৰ এটা পৰীক্ষা লোৱা যাওক।"

পৰীক্ষাৰ আঁচনি মতে—চন্দ্ৰ গ'ল শিৱ-দ'ললৈ, ৰবি উদ্যান-বনলৈ, সোম নাট্য-মন্দিৰলৈ আৰু ধ্ৰুৱ পুথি-ভঁৰাললৈ।

তাৰ পাছত চাৰিওজনেই মাধৱক ক'লেহি, "তোমাৰ এই পৰীক্ষাৰ কোনো সাৰ্থকতা আমি বিচাৰি নাপালোঁ।"

মাধৱে মিঠাকৈ হাঁহিৰে ক'লে, "এতিয়া তোমালোকে কি ভাবিছা, বিশিষ্টতা—কেৱল গোকৰ্ণতহে আছেনে? ইন্দ্ৰপ্ৰস্থ, হস্তিনাপুৰ, উজ্জয়িনী, তক্ষশিলা, আদি। বহু ঠাইত বহু বিশিষ্টতা বিদ্যমান, গোকৰ্ণতকৈও অধিক বিশিষ্টতা বিদ্যমান। তথাপি এই গাঁৱলৈ মই কিয় আহিলোঁ, কিয় এইখন গাঁৱক ইমান ভাল পাওঁ। —জানানে? কিয়নো—ইয়াতে আছে আমাৰে অতিকৈ মৰমৰ পেহাদেউৰ ঘৰ। আৰু—এনেহেন মৰমৰ ঘৰ এখন থকাৰ বাবেইহে—এইখন ঠাই আন সকলো জাকজমকীয়া ঠাইতকৈ প্ৰিয়। কিয়নো —আন ক'তো এনেহেন মৰম তো পাবলৈ নাই।—মই ঠিক কোৱা নাইনে?"

চাৰিওজনেই নিমাতে মুৰ দুপিয়ালে।

## ১৪

[আগৰ কথা : ধীৰধৰ চিন্তিত হৈ উঠিছিল তাৰ, তাৰ মাতৃৰ, আৰু আনকি পৰিয়ালখনৰ দাস-দাসীসকলৰো ভয়ানক ভৱিষ্যতৰ কথা ভাবি। দুষ্ট-ধূৰ্ত-বদমাছ-কামনালোলুপ সেই থলি পুতি বহি থকা ৰাজকোঁৱৰহঁতক খেদিবলৈ হলে যিখন যুদ্ধৰ পাতনি তৰিব লাগিব, সেই যুদ্ধত কোন জী-ব কোন মৰিব কি ঠিক। কিন্তু সেই বুলি আজীৱন এই বদমাছবিলাকৰ মুঠিতো থাকিব নোৱাৰি। আৰু—চিন্তিত ধীৰধৰে যেতিয়া কোনো পাৰ-কূল বিচাৰি পোৱা নাছিল, ঠিক তেতিয়াই সেই গাহৰি-পালকৰ পঁজাতে মিলন হৈছিল পিতা-পুত্ৰৰ। আৰু তাৰ পাছত···]

তীব্ৰ গতিৰে ধীৰধৰ ঘৰলৈ বুলি আগ বাঢ়িল। বাটত কেৱল এই কথা ভাবি থাকিল যে ছদ্মবেশী পিতাশ্ৰীয়ে কিমতে এই বদমাছৰো বদমাছহঁতক কচুকটা দিব।

ধীৰধৰ ঘৰলৈ গ'ল আৰু লগে লগে সিহঁতৰ ঘৰখনত সহস্ৰ-সমুদ্ৰৰ ঢৌৰ দৰে আনন্দৰ ঢৌ বৈ অহিল। দাস-দাসীসকলৰ মন-প্ৰাণতো ধীৰধৰ কত যে মৰমৰ— তাৰ এক অশ্ৰুতপূৰ্ব-অভাৱিত দৃশ্য দেখি ধীৰধৰ নিস্তব্ধ-নিৰ্বাক হৈ পৰিল।

এনেতে ওপৰমহলাৰপৰা পদ্মমুখী নামি আহিল, আৰু আহিয়েই মৰমৰ সোঁতৰ মাজত দিশহাৰা যেন হৈ পৰা পুত্ৰ ধীৰধৰক মাতৃ পদ্মমুখীয়ে বুকুত সাৱটি ল'লে।

ইমান দিন ধৰি অদৰ্শনৰ আবেগ জামৰি আহিলত পদ্মমুখীয়ে পুত্ৰ ধীৰধৰক ধীৰ কণ্ঠেৰে সুধিলে, "বোপা, যি উদ্দেশ্যেৰে আনকি মোকো নোকোৱাকৈ

'ভিখাৰী ৰূপধৰ'

পৈলাছ পাইছিলাগৈ — সেই উদ্দেশ্য সফল হ'লনে? তোমাৰ দেউতাৰাৰ সা-সন্ধান কিবা উলিয়াব পাৰিলানে?

ধীৰধৰ বিমোৰত পৰিল। পিতৃৰ প্ৰকৃত কথা—এতিয়াই কয় যদি—আৰু যদিহে কেনেবাকৈ সদৰি হৈ পৰে—তেনেহ'লে সৰ্বনাশ হ'ব। গতিকে—ধীৰধৰে ক'লে, "মা, তুমি এতিক্ষণ স্নানাদি সমাপন কৰি লোৱা, আৰু ভগৱন্তলৈ প্ৰাৰ্থনা কৰা, আমি আমাৰ কাৰ্য্যত সফল হওঁ যেন, আমি সফলতাৰে কদৰ্যতাৰ প্ৰতিশোধ ল'ব পাৰোঁ যেন। —এতিয়া তোমাক সকলো কথা ভাঙি-পাতি ক'ব নোৱাৰিম, কিয়নো—মই এহি মুহূৰ্ত্তে এবাৰলৈ নগৰলৈ ওলাম। —তোমাক এটা কথা কওঁ। পৈলাছৰপৰা এজন আলহী আমাৰ ঘৰলৈ বুলি আহিল, তেওঁক মই লৈ আহিছোঁগৈ।"

এই আলহীগৰাকী আছিল এগৰাকী মথিয়ন মানুহ। ধীৰধৰ যেতিয়া পৈলাছ বন্দৰ এৰি আহোঁ আহোঁ, তেতিয়া এওঁ ধীৰধৰলৈ অনুৰোধ জনাইছিল ধীৰধৰকো ইথাকাদেশলৈ লৈ যোৱাৰ বাবে। ধীৰধৰে ইথাকাৰ তীৰ পায়েই নংক্ৰেমখুড়াকৰ পঁজালৈ বুলি গৈছিল, আৰু এই মথিয়ন-গৰাকী অন্যান্য নাবিকৰ লগ লাগি আন বাটেদি নগৰলৈ গৈছিল।

পুত্ৰ ধীৰধৰে কোৱা মতেই পদ্মমুখীয়ে স্নানাদিকাৰ্য্য সম্পন্ন কৰিলে, আৰু তাৰ পাছত শক্ৰৰ নিৰ্বিঘ্ন সংহাৰৰ বাবে ভক্তি-যুক্ত মনেৰে ভগৱন্তলৈ প্ৰাৰ্থনা জনালে।

তিমানতে ধীৰধৰ ঘৰ এৰি ওলাই আহিল, বৰছা হাতত ল'লে, আৰু দুটা বিৰাট কুকুৰকো লগত ল'লে আৰু সি অতি ধীৰ-স্থিৰ ভাবে গৃহৰপৰা ওলাই তাৰ পিতাকে য'ত তেওঁৰ বন্ধুহঁতৰ লগ লাগি আলোচনা কৰি আছিল, সেই ঠাই পালেগৈ।

আৰু অলপ সময়ৰ পাছত, নাৱিক-সকলে সেই মথিয়ন আলহীগৰাকীক তালৈ লৈ আহিল। মথিয়নগৰাকীয়ে ধীৰধৰক শান্ত কণ্ঠেৰে ক'লে, "প্ৰতাপে তোমালৈ দিয়া কিছু উপহাৰ-বস্তু মোৰ

ওচৰত আছে। তোমাৰ কোনোবাজনী লিগিৰীক পঠাই দিবা, লৈ যাব।"

"মোক যে দুষ্টইঁতে কেতিয়া খতম্ কৰিব, নাজানো। গতিকে— মহাৰাজ প্ৰতাপ-প্ৰদত্ত উপহাৰ মই কিয় আমাৰ ঘৰত ৰাখি থ'ম? তেতিয়া সেই উপহাৰ হয়তো দুষ্টইঁতৰ হস্তগত হ'ব। —যিদিনা সিহঁতক পুলিয়ে-পোখাই উৎগাৰ কৰিব পাৰিম, আপুনি সেই উপহাৰ দিবহি।"

তাৰ পাছত সেই মথিয়ন-আলহীজনক লগত লৈ ধীৰধৰ পুনৰ ঘৰলৈ গ'ল, আৰু আথেবেথে বহুৱাই আহাৰ কৰোৱালে।

আহাৰাদিৰ সমাপ্তিত অন্তত পদ্মমুখীয়ে পুত্ৰ ধীৰধৰক সুধিলে, "বোপা, সেই দুষ্টমতি ৰাজকোঁৱৰবিলাক এতিয়া নাই, ক'ৰবালৈ ওলাল। এতিয়া কোৱাচোন— তুমি তোমাৰ দেউতা বিষয়ে কি খবৰ কঢ়িয়াই আনিলা?—কোৱা মোক।"

"ক'ম, মা। — পৈলাছত মই ৰজা নৰদ্যোতৰ সৈতে দেখা কৰিছিলোঁগৈ। তেওঁ মোক বৰ আদৰ-সাদৰ কৰিলে, কিন্তু তেওঁ আমাৰ পিতাৰ কোনো বতৰা দিব নোৱাৰিলে। পিছে—তেওঁ মোৰপৰা আমাৰ দুৰ্দশাৰ কথা শুনি ক'লে যে— তোমাৰ পিতাদেউৰা অৱশ্যেই ইথাকালৈ ঘূৰিব, আৰু এইবোৰক কচুকটা দিব।

তাৰ পাছত মই মহাৰাজ প্ৰতাপৰ ওচৰলৈ গৈছিলোঁ। তেওঁ ক'লে যে—

সদায় সমুদ্ৰতে ঘূৰি-ফুৰি থকা এজন বৃদ্ধই আমাৰ পিতাদেউক সমুদ্ৰৰ বুকুত কেইবা-বাৰো দেখা পাইছিল। আন কোনো খবৰ-বাতৰি মই গোটাৰ পৰা নাই।"

এই বাৰ্তালাপখিনি শুনাৰ অন্তত সেই বৃদ্ধ মথিয়ন মানুহজনে পদ্মমুখীলৈ চালে, আৰু ক'লে, "হে দেৱী, প্ৰকৃত কথা মোৰপৰা শুনা। —তোমালোকৰ ঘৰখনক মৰিশালহেন কৰি তোলা দুষ্টমতিইঁতৰ বিনাশৰ দিন চমু চাপিছে। কিয়নো— তোমাৰ পতি — বীৰ কৰ্ণধৰ—সন্থহতে এই দেশ পালেহিয়েই।" মথিয়ন মানুহ-জনে জ্যোতিষ-গণনৰে ক'লে।

"মহাশয়, আপোনাৰ কথা সত্য হওক। যদি সত্য হয়—আপুনি যি খুজিব, তাকে

দিয়া হ'ব ।" পদ্মমুখীয়ে ক'লে।

গৃহৰ ভিতৰত যেতিয়া তিনিও কথা পতাত মগ্ন, তেতিয়া দুষ্টহঁতৰ কিছুমান অনুচৰে অতি গধুৰ কিবাকিবা দলিয়াই দিয়াৰ, কামত ব্যস্ত হৈ আছিল, আৰু বৰছাৰে কিবাকিবি টোঁৱাই আছিল। তিমানতে সিহঁতৰ চাকৰ এটা আহিল, আৰু চাকৰটোৱে সিহঁতক ক'লে, "দুপৰীয়া হ'ল, খেলা বন্ধ কৰা, আৰু খানা-পিনা কৰিবলৈ আহাঁ।" তাৰ কথাত সকলোটি বাধ্য ল'ৰাৰ দৰে খাবলৈ বহিলহি। সেই দিনা সিহঁতে ধীৱৰহঁতৰ ছাগলী কেইজনীমান মাৰি মঙহৰ আঞ্জা ৰান্ধিছিল।

নংক্ৰেমখুড়াই ছদ্মবেশী ৰূপধৰক ক'লে, "ব'লা আমাৰ মালিকে তোমাক নগৰলৈ লৈ যাবলৈ কৈছে।" আৰু এই বুলি কৈ, নংক্ৰেমখুড়াই হাতত দীঘল চাই খৰি এডাল ল'লে, আৰু নিজৰ জোলোঙাটো কান্ধত ওলোমাই লৈ খোজ বঢ়ালে।

আৰু বৃদ্ধবেশী ৰূপধৰে নিঃকিন ভিখাৰীৰ দৰে নংক্ৰেমখুড়াকৰ পিছে পিছে গৈ থাকিল।

গৈ গৈ নংক্ৰেমখুড়া আৰু ছদ্মবেশী ৰূপধৰ কোনোবা এজন প্ৰতাপৰ ওচৰ পালেগৈ। আৰু ঠিক তেতিয়াই এজাক ভেড়া আৰু এজাক ছাগলী খেদি লৈ কালি নামৰ মানুহ এজন তালৈ আহিল। কালিয়ে বৃদ্ধ ভিখাৰীহেন ৰূপধৰলৈ চাই কৈ উঠিল, "এই মগনিয়াৰটো কোননো? হেই নংক্ৰেমখুড়া, এনেহেন জিন্দা শ'হেন মানুহ এটা ক'ত পালা? ইয়াক যদি আমাৰ ৰূপধৰ দৌতাৰ ঘৰলৈ লৈ যোৱা



—তেনেহ'লে তাত থকা বীৰ-বপুৰা ৰজাৰ পো-ইঁতে ইয়াক একে খুন্দাই বগৰাই পেলাই যমৰ আলহী কৰিব। —হেই বুঢ়া, গুচ্, ইয়াৰপৰা — গুচ কৈছোঁ।" এই বুলি কৈ, কালিয়ে ছদ্মবেশী ৰূপধৰক এগোৰ মাৰি দিলে।

তেতিয়া ৰূপধৰে নিজক সংযত কৰিব নোৱাৰিলে আৰু তাক থাপ মাৰি দাড়ি ধৰি দলিয়াই দিব বুলি ভাবিও নিকট-ভৱিষ্যতৰ কথা ভাবি ৰৈ দিলে। তেওঁৰ স্বৰূপ এতিয়াই প্ৰকাশ হ'ব নালাগে।

নংক্ৰেমখুড়াকে কালিক ক'লে, "ইমানেই সাহস হ'লনে তোৰ? ঠিক আছে, মালিক আহক, তোৰ খবৰ লোৱা যাব।"

"বেওকুফ কহিঁকা, তোমাৰ মালিকৰ যে হজ লৰিল— কোনেনো নজনা হৈ আছে? বলিয়াটো ক'বাৰ! এতিয়া ধীৰধৰকো যদি দেৱতাই মাতি লৈ যায়— তেহে ভাল। নতুবা—সেই ৰজাৰ কোঁৱৰ-ইঁতেই তাকো যমৰ আলহী কৰিহে এৰিব।" কালিয়ে ক'লে।

ইতিমধ্যে সকলোটি ৰূপধৰৰ গৃহ পাইছিলহিয়েই। ৰূপধৰে কৈ উঠিল, "এই ঘৰ—ৰূপধৰৰহে হ'ব লাগে। ইমান ডাঙৰ অট্টালিকা আৰুনো কাৰ? ভিতৰত বোধকৰোঁ খানা-পিনা চলি আছে। গোন্ধই কৈ দিছে খানা-পিনাৰ কথা।"



যেতিয়া নংক্ৰেমখুড়াৰ সৈতে ছদ্মবেশী ৰূপধৰে কথা পাতি আছিল—তেতিয়া কিছু দূৰত থকা বুঢ়া কুকুৰ এটাই মূৰ দাঙি একেৰাহে ৰূপধৰলৈ চাই আছিল। এই কুকুৰটো আছিল—ৰণ্টি নামৰ এটা উত্তম শ্ৰেণীৰ চিকাৰী কুকুৰ। ৰূপধৰে তাক তাৰ পোৱালিকালৰে পৰাই পালিছিল, কিন্তু ৰণ্টি অলপমান ডাঙৰ হোৱাৰ পাছত ৰূপধৰ ট্ৰয়যুদ্ধলৈ গুচি গৈছিল।

ৰণ্টি এতিয়া বুঢ়া হ'ল, কিছু নিশকতীয়া হ'ল। কিন্তু হঠাৎ তাৰ পালনকাৰীক—তাৰ গৰাকীক দেখাপাই ৰণ্টি চঞ্চল হৈ উঠিল।

ছদ্মবেশী ৰূপধৰে নংক্ৰেমক ক'লে, "দেখাত—কুকুৰটো ভাল জাতৰ যেনহে

লাগিছে। কিয় ইয়াৰ এনেহেন দুখলগা অৱস্থা হ'ল? এই কুকুৰটোৰ মোল—কিজানি তোমালোকে বুজিব পৰা নাই।"

"এনেকৈ নক'বা। যেতিয়া আমাৰ মালিক জীয়াই আছিল, তেতিয়া এই কুকুৰটোৱেই আছিল সাইলাখ বাঘ! আজি — বহুদিনৰপৰা মালিকো নাই, তাৰো বাঘহেন হৈ থকাৰ মন নাই।" এই বুলি কৈ, নংক্ৰেমখুড়া ঘৰৰ ভিতৰলৈ সোমালগৈ।

আৰু—ৰণটিয়ে নিজৰ গৰাকীক দেখা পায়েই—চকু মুদি দিলে, আৰু তাৰ সেই চকুযুৰি আৰু মেল নাখালে।

যেনিবা— এই প্ৰভুভক্ত কুকুৰটোৱে এই পৰমক্ষণৰ বাবেহে ইমান দিন ধৰি কথমপি জীয়াই আছিল।

ঘৰৰ ভিতৰলৈ সোমোৱাৰ লগে লগেই ধীৰধৰে নংক্ৰেমখুড়াক ইংগিতেৰে মাতিলে।

আৰু ঠিক তেতিয়াই বৃদ্ধবেশী ৰূপধৰো নিঃকিন ভিখাৰীৰ দৰে ঘৰৰ ভিতৰলৈ আহি এঠাইত অতি সংকোচ ভাবেৰে কোঁচমোচ খাই বহি দিলে।

ৰূপধৰৰ এই অৱস্থাত তেওঁক তেওঁৰ শত্ৰুইতো, আনকি পত্নী পদ্মমুখীয়েও ভাবিব নোৱাৰিব যে— এৱেঁই সেই সেই তেজস্বী বীৰ ৰূপধৰ!

ধীৰধৰে কিছুখিনি ৰুটি আৰু মঙহৰ আঞ্জা নংক্ৰেমৰ হাতত দিলে আৰু ৰূপধৰলৈ চাই নংক্ৰেমক ক'লে, "এওঁক দিয়া। আৰু এওঁক কোৱা—যে অন্য অন্য খাওঁতাৰপৰাও খুজি খায় যেন।"

নংক্ৰেমখুড়াৰপৰা ৰুটি-মঙহ পাই বৃদ্ধবেশী ৰূপধৰে ধীৰধৰলৈ চাই কৈ উঠিল, "মালিকৰ কৃপা। ঈশ্বৰে তেওঁৰ ভাল কৰক।"

তাৰ পাছত—ৰূপধৰে মহা আনন্দৰে মঙহৰ আঞ্জা খাই থকা ৰাজকোঁৱৰহঁতৰপৰাও ভিখাৰীৰ দৰে ৰুটি আৰু মঙহৰ জোল খুজি লৈ থাকিল। [আগলৈ



# নহয় বাদ-বিবাদ—এয়া হ'ল—চান্দ-সম্বাদ

## নহয় কেৱল হিমৰ ঘৰ, আছে কত জাবৰ জোথৰ

যুৱক-যুৱতীসকলৰ এভাগে পৰ্বতাৰোহণ কৰাত বৰ আকৰ্ষণ বোধ কৰে। এন. চি. চি. শিক্ষাৰ্থী-সকলক পৰ্বতাৰোহণৰ শিক্ষা দিয়া হয়। আৰু পৰ্বতাৰোহণৰ কথা ওলালেই এভাৰেষ্ট পৰ্বতশৃংগৰ কথা মনত নপৰাকৈ নাথাকে, যি-শৃংগ হ'ল বিশ্বৰ সৰ্বোচ্চ। এভাৰেষ্ট পৰ্বত-শৃংগৰ উচ্চতা ৮৮৪৭ মিটাৰ। এভাৰেষ্ট শৃংগ বগাবলৈ কেৱল উৎসাহ বা শক্তি যথেষ্ট নহয়, কেৱল মন থাকিলেই নহ'ব, ধনও লাগিব বিস্তৰ। কিমান লাগিব ধন? জনপ্ৰতি ১০,০০০ ডলাৰ, অৰ্থাৎ—ভাৰতীয় ৩,৫০,০০০ টকা? এই ধন নেপাল-চৰকাৰক দিব লাগে। নেপালতে বিশ্বৰ আঠোটা সৰ্বোচ্চ শৃংগ আছে। এই বছৰ এতিয়ালৈকে ৮০ জন এভাৰেষ্ট বগাবলৈ আহিছে, যিসকলৰ মাজত ৫৭ জনে সৰ্বোচ্চ শৃংগ পালেগৈ। এওঁবিলাকৰ মাজত 'এভাৰেষ্ট-বীৰ' টেনজিং নোৰগেৰ একৈছ বছৰীয়া পুত্ৰ জাংলিংও আছে। এওঁলোকৰ মাজত আছে—ফিনলে ব্ৰিসৰ্গ, এড্‌মাণ্ড কাৰ্ল, ৰিস্টাৰ্ডছ নামৰ বোলছবি-নিৰ্মাতা আদি। এওঁ তৃতীয় বাৰলৈ এভাৰেষ্টলৈ উঠিল। ১৯৯২ চনত ৫৮ জন এভাৰেষ্ট বগালে। ১৯৯৩ চনত এদিনতে ৩৫ জন পৰ্বতাৰোহীয়ে সৰ্বোচ্চ শৃংগ পালেগৈ। এই বছৰত নেপাল চৰকাৰে পৰ্বতাৰোহণৰ মাচুল-বাবদে সৰ্বমুঠ ৬৪০,০০০ ডলাৰ পালে। চৰকাৰৰ মতে: এভাৰেষ্টৰ বাট-পথত এতিয়া সদায় অভিযাত্ৰীসকলৰ খুন্দমদম। নেপাল চৰকাৰৰ আদেশ মতে—সকলো অভিযাত্ৰীয়েই এক নিৰ্দিষ্ট বাটেদি যাব লাগিব আৰু এভাৰেষ্টলৈ যোৱা বাটত যিমান কমকৈ সম্ভৱ জাবৰ-জোথৰ পেলাব লাগিব। এভাৰেষ্টৰ বাট-পথৰপৰা জাবৰ-জোথৰ গুচাবলৈ চৰকাৰে বাধ্যত পৰি শ্বেৰ্পা নিযুক্ত কৰিলে। সম্প্ৰতে শ্বেৰ্পাইতে ২০০০ কিলোগ্ৰাম জাবৰ-জোথৰ এভাৰেষ্টৰ-পৰা বুটলি আনিলে। এই শ্বেৰ্পাইতৰ চৰ্দাৰৰ মতে—এভাৰেষ্টৰ বুকুত এতিয়াও কমেও ১৫০০০ কিলোগ্ৰাম জাবৰ-জোথৰ সিঁচৰতি হৈ আছে—যি জাবৰ-জোথৰ বোটলাও বৰ টান।

### বটল-বাৰ্তা-বুটলি!

দক্ষিণ ইংল্যাণ্ডৰ জোৱাৰ ৰেজিমৰ আঠ-বছৰীয়া ছোৱালী বিক্কী থামছে এখন পত্ৰ লিখি তিনি বছৰৰ আগতে এটা বটলৰ ভিতৰত ভৰাই সাগৰৰ বুকুত উটুৱাই দিছিল। সম্প্ৰতে সেই বটল-পত্ৰ অষ্ট্ৰেলিয়াৰ জেৰাল্টন প্ৰদেশৰ অ্যান্‌ড্ৰু নামৰ যুৱক এজনে সাগৰৰ বুকুৰপৰা বুটলিলে আৰু পত্ৰখনৰ উত্তৰ দিলে। উত্তৰত অ্যান্‌ড্ৰুৱে কৈছে: "এই বটলটো প্ৰায় ১৬০০০ 'কিল'মিটাৰ সমুদ্ৰপথ পাৰ হৈ আহিছে। এই ঘটনা এক বিশ্ব-ৰেকৰ্ড।" কিন্তু এই ৰেকৰ্ড পঞ্জীবদ্ধ কৰিবলৈ গিনেজ বুক অব্ ৰেকৰ্ডছত কোনো বন্দৱস্ত নাই!

### উটীয়-কবিতা!

১৯৯১ চনত উপসাগৰীয় যুদ্ধৰ কাৰণে সেইবোৰ অঞ্চলৰ পৰিস্থিতি বৰ অস্থিৰতাৰে পূৰ্ণ হৈছিল। তেতিয়া কুৱেতৰ একাংশৰপৰা কিছুমান উট গিৰী নোহোৱা হৈ অ'লৈ-ত'লৈ গুচি গৈছিল। এইবিলাকৰ মাজত এটা উটে কিন্তু পাঁচ বছৰৰ পাছত তাৰ মালিকৰ ঘৰ বিচাৰি উলিয়াই পুনৰ উপস্থিত হ'ল! হেৰোৱা উটৰ ওভতনিত উটটোৰ মালিকৰ মনত আনন্দৰ পাৰ-কূল নোহোৱা হ'ল আৰু উটটোৰ মালিক মুহাম্মদ-আল্ অল্লাইয়িৰে উটৰ প্ৰভুভক্তিৰ ওপৰত এটি উটীয়-কবিতা লিখি উটটোলৈ শলাগৰ হিয়াভৰা শৰাই আগবঢ়ালে!

# বেহানিৰ বিহু

কিন্তু বেতালে অদম্য ৰজা বিক্ৰমাদিত্যক ৰখাব নোৱাৰিলে। সেই গছৰপৰা পুনৰ মৃতদেহটো নমাই আনি, কান্ধত পেলাই লৈ, মহাৰাজ বিক্ৰম বিক্ৰমৰে সৈতে মৰিশালিলৈ বুলি গৈ থাকিল। তেতিয়া মৃতদেহৰ মাজত থকা বেতালে ভৌতিক কণ্ঠেৰে কৈ উঠিল, “হে ৰজা, তুমি তোমাতকৈ অধিক বলশালী কোনোবা ৰজাক পৰ্য্যুদস্ত কৰিবলৈ, বা সমগ্ৰ পৃথিৱীৰ ৰাজ-চক্ৰৱৰ্তী হ'বলৈ যুগ যুগ ধৰি এনেহেন কঠোৰৰো কঠোৰ কৰ্মত ব্ৰতী হৈছানে কি? নে লোক-সমাজত অভাৱিত খ্যাতি আৰ্জিবৰ বাবে তন্ত্ৰ-মন্ত্ৰৰ সাধন সম্পূৰ্ণ কৰিবলৈ বেহানিৰ বিহ আৰ্জিবলৈ এই অপাৰ-অপৰিমেয় ধৈৰয অৱলম্বন কৰিছা? যদি খ্যাতিয়েই তোমাৰ লক্ষ্য,

## ‘বেতাল-কথা’

তেনেহ'লে তুমি অতীতকালৰ দেৱশৰ্মাৰ কাহিনী শুনা।" এই বুলি কৈ, বেতালে দেৱশৰ্মাৰ কাহিনী ক'বলৈ ধৰিলে :

*

বিশালদেশৰ অন্যতম শ্ৰেষ্ঠ সংগীতবিদ আছিল দেৱশৰ্মা। দেৱশৰ্মাই সংগীতজ্ঞ-পৰিয়ালতে জন্মগ্ৰহণ কৰিছিল, আৰু দেৱশৰ্মাৰ পিতাক-ককাক-আজোককাকো আছিল প্ৰখ্যাত সংগীত'বিশাৰদ। গতিকে —ওপজাৰেপৰাই এক প্ৰাচীন ঐতিহ্যবাহী পৰিয়ালৰ ল'ৰা দেৱশৰ্মাই সংগীতৰ সহজ ঐতিহ্যবাহী হৈছিল।

অকস্মাৎ এদিন বিশালদেশৰ ৰাজ-সংগীতজ্ঞ স্বৰ্গী হ'ল। মহাৰাজে নিৰ্ণয় কৰিলে যে—তেওঁ এখন বৃহৎ সংগীত প্ৰতিযোগিতা পাতিব — আৰু সেই প্ৰতিযোগিতাত বিজয়ী সৰ্বশ্ৰেষ্ঠ সংগীতজ্ঞ-জনক বিশালদেশৰ ৰাজ-সংগীতজ্ঞ হিচাপে নিযুক্তি দিব।

আৰু এই ৰাজকীয় ঘোষণা শুনি দেৱশৰ্মায়ো ভাবিলে যে ইমান দিনৰ অন্তত তেওঁৰ সংগীতবিদ্যাৰ গুণ প্ৰকাশৰ উপায় পোৱা হ'ল। সেইহেে, তওঁ পাছদিনাই ৰাজধানীলৈ বুলি ওলাল।

গৈ গৈ, বাট বুলি বুলি, পাছদিনা দুপ-ৰীয়াৰ পৰতে এঠাইত দেৱশৰ্মাৰ জিৰণি ল'বৰ মন গ'ল। আৰু ইমান দিনৰ আগতে ৰাজধানীলৈ যোৱাৰ. লাভো বিশেষ নাই, কিয়নো প্ৰতিযোগিতাৰ দিনৰ ঢেৰ দেৰি আছে।

গতিকে— দেৱশৰ্মাই এখন ঘৰলৈ আলহী হ'লগৈ।

তাত প্ৰায় আশী বছৰীয়া. এগৰাকী বৃদ্ধ মানুহ, আৰু তেওঁৰ নাতিনীয়েকৰ বাদে আন কোনো নাছিল।

আৰু — এই আশীবছৰীয়া বৃদ্ধও আছিল এগৰাকী প্ৰখ্যাত সংগীতজ্ঞ।

বৃদ্ধই দেৱশৰ্মাক ক'লে, "তোমাৰ পিতাৰ নাম, ককাৰ-আজোককাৰৰ নাম—মযো শুশুনা-নহয়। তোমাৰ গীত-সংগীতও ভালেই ; কিন্তু তো মা ৰ সংগীত অপূৰ্ব-অভাৱিতবিধৰ নহয়।"

ক্ষন্তেকমান ৰৈ, সেই বৃদ্ধই পুনৰ ক'লে,

“এক অপূৰ্ব ৰাগ-সংগীত মোৰ আয়ত্ত, কিন্তু—সেই সংগীত জাগতিক নহয়।”

পুনৰ ক্ষন্তেকমান ৰোৱাৰ অন্তত বৃদ্ধই সেই ৰাগৰ কাহিনী কৈ থাকিল :

তেওঁৰ, অৰ্থাৎ বৃদ্ধৰ নাম কাশ্যপ। তেওঁ গুৰুকুলতে সংগীতশাস্ত্ৰৰ শিক্ষালাভ কৰিছিল, আৰু তাত ছনে-বনে ঘূৰি-ফুৰি পক্ষীকুলৰ সংগীতৰ ধাৰা আয়ত্ত কৰাৰ বাবেও চেষ্টা দিছিল, যদিও তেওঁৰ সেই চেষ্টা কদাপি ফলৱতী হোৱা নাছিল।

এইদৰে, এদিন তেওঁ হাবিয়ে-বননিয়ে ভ্ৰমি থাকোঁতে—অকস্মাৎ এক মৃদুমন্দ গীত-ধ্বনি কাশ্যপৰ কাণত পৰিল, পোনতে—এই অপূৰ্ব গীত-ধ্বনি পক্ষীৰ সংগীত বুলিয়েই বোধ হ'ল; কিন্তু পাছত—ভোমোৰাৰ গুঞ্জন যেন লাগিল। সেই গীত-ধ্বনিৰ অনুসৰণ কৰি-কৰি তেওঁ গভীৰ অৰণ্যৰ মাজত এক মুনিৰ আশ্ৰম পালেগৈ আৰু তেতিয়া তাত মুনি-কন্যাই ফুলমলা গুঠি থকাতে এই গীত গাই কাশ্যপে মুনিক সাষ্টাংগে প্ৰণাম কৰিলে, আৰু এই অপূৰ্ব মনমোহন সংগীত শিক্ষা কৰিবলৈ তেওঁৰ ওচৰত বাঞ্ছা প্ৰকাশ কৰিলে।

আগন্তুকৰ কথা শুনি পোনেতে মুনিবৰ অতিশয় বিস্মিত হ'ল। কিন্তু অলপ পাছত তেওঁ স্বাভাৱিক হ'ল।

তেতিয়া মুনিবৰে সহাস্যে কাশ্যপক ক'লে, “পুত্ৰ, এই সংগীত—লোকাতীত। আজিৰপৰা পঞ্চ-পুৰুষৰ আগতে আমাৰ এগৰাকী পূৰ্বপুৰুষে গন্ধমাদন পৰ্বতোপৰি তপস্যা কৰিছিল, আৰু তাতেই এই গীত শ্ৰৱণ কৰিছিল। সেই অদ্ভুত-অপূৰ্ব ৰাগৰ আলাপন কৰোঁতে আকাশৰপৰা প্ৰজ্ঞাপাল নামৰ এজন গন্ধৰ্ব নামি আহিছিল, আৰু আমাৰ সেই পূৰ্বপুৰুষ তপস্বীজনাই গন্ধৰ্ব প্ৰজ্ঞাপালক কৈছিল, “হে মহোদয়, আপোনাৰ এই সংগীত-মূৰ্ছনা— বিষ্ণু, ইন্দ্ৰ প্ৰমুখৰ সভাত মহামুনি নাৰদৰ গীত-সুধা থকা যেন পাইছোঁ। মই আপোনাৰ অপূৰ্ব কণ্ঠৰপৰা এবাৰ মাত্ৰ শুনিয়েই এই অপৰূপ গীত-সংগীত পৰিপূৰ্ণৰূপে আয়ত্ত কৰি প্ৰকৃততেই ধন্য মানিছোঁ।”

গন্ধৰ্ব প্ৰজ্ঞাপালে মহাক্ৰোধী হৈ ক'লে, "তোমাৰ অনুমান— সত্য আৰু তোমাৰ মাজত থকা গীত-জ্ঞানও সত্য। যি আয়ত্ত কৰি-লৈছা, সি তোমাৰ মাজত থাকক। কিন্তু—এই গীত-ধ্বনি যদি আন কাৰোবাক তুমি শিক্ষা দিয়া—পাছ মুহূৰ্ত-ৰেপৰাই এই গীত-ৰাগ পাহৰি থাকিবা।" এই অভিশাপ প্ৰদান কৰি গন্ধৰ্ব প্ৰজ্ঞাপাল তাৰপৰা সেই মুহূৰ্ততে চকুৰ পচাৰতে অদৃশ্য হৈ গ'ল।

কাহিনী ইমানলৈকে কোৱাৰ অন্তত বৃদ্ধ সংগীতজ্ঞ কশ্যপে দেৱশৰ্মাক ক'লে, "পুত্ৰ, সেই ৰাগ-সংগীত তোমাক দিয়াৰ প্ৰশ্ন নুঠে। কিয়নো—তেতিয়া আৰু মোৰ বোলা ইহ-জগতত প্ৰকৃততে একোৰেই নাথাকিব। পিছে সেই ৰাগৰ সামান্যমান আলাপ-আলাপন শুনি যোৱা।"

এইবুলি কৈ, কিঞ্চিত পৰলৈ চকু মুদি থকাৰ অন্তত বৃদ্ধ কশ্যপে সেই ৰাগ-সংগীতৰ যি আলাপ কৰিলে সেই, অশ্ৰুতপূৰ্ব ৰাগৰ অপূৰ্ব আলাপ শুনি দেৱশৰ্মাই নিজে সংগীতশাস্ত্ৰৰ একোৰেই নাজানে বুলি নিজৰ বিশ্বাস হ'ল।

আৰু দেৱশৰ্মাই নিজক নিজেই ধিক্কাৰ দিবলৈ ধৰিলে। সংগীত কি, আৰু সংগীত কাক বোলে—সেই বিদগ্ধ কথা সমূলি নজনাই নিজক এক মহা-সংগীতজ্ঞ বুলি ভৰাত তেওঁ এতিয়া নিজে নিজই লাজ পালে।

আৰু ইতিমধ্যে বৃদ্ধ কাশ্যপৰ কাহিনীও শেষ হৈছিল।

বৃদ্ধ কাশ্যপ ৰ'ল।

আৰু তাৰ পাছত — বৃদ্ধ কাশ্যপে দেৱশৰ্মাক তেওঁৰ সমুখত বহুৱালে আৰু ক'লে, "পুত্ৰ, এই পৃথিৱীত মোৰ দায়িত্ব—কেৱল মোৰ নাতিনিয়েৰজনী— মোৰ পুষ্পিতাজনী। তুমি তাইক বিবাহ কৰাই মোক দায়মুক্ত কৰিব পাৰিবা? —মই তোমাক এই লোকাতীত সংগীত-ধাৰা শিকাই দিম, আৰু তুমি তাৰে ৰাজকীয় সংগীত-প্ৰতিযোগিতাত বিজয়ী হৈ নিশ্চয়েই অপাৰ প্ৰশংসাৰে সৈতে এই দেশৰ-ৰাজ-সংগীতজ্ঞৰ বাব পাবা যে—

সেই কথা ধ্ৰুৱ সত্য।”

“পুষ্পিতাক বিবাহ কৰাত মোৰ আপত্তি নাই। কিন্তু—ৰাজসভাস্থ সংগীত-প্ৰতিযোগিতালৈ যোগদানৰপৰা মই বিৰত হৈছোঁ। অনুগ্ৰহ কৰি এই বিষয়ে মোক একো নুসুধিলে ভাল পাম।” মিঠাকৈ হাঁহিৰে দেৱশৰ্মাই সেই বৃদ্ধ সংগীতজ্ঞ কাশ্যপক ক’লে।

*

ইমানলৈকে কোৱাৰ অন্তত বেতালে বিক্ৰমাদিত্যক সুধিলে :

“হে ৰাজন্! কিয় সংগীতবিদ দেৱশৰ্মাই ৰাজকীয় সংগীত-প্ৰতিযোগিতাৰপৰা এইদৰে বিৰত হৈছিল? পুষ্পিতাক বিবাহ কৰাবলৈ সন্মত হ’ল কিন্তু তেন্তে দেৱশৰ্মাৰ কথা-কাণ্ড [illegible]ৰৰ সঁাথৰ লগা নাইনে? দেৱশৰ্মা কিয় প্ৰতিযোগিতাৰপৰা আঁতৰি গ’ল—সেই কথাৰ সঠিক উত্তৰ জানিও যদি কিবা বিশেষ কাৰণত মোক নোকোৱা—তোমাৰ মূৰ ফাটি নিশ্চয়েই চাৰিফাল হ’ব।”

বেতালৰ এই প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক’লে, “দেৱশৰ্মাৰ এই কাৰ্য্যৰ ব্যাখ্যা অতি সহজ। এনেহেন লোকাতীত সংগীত আয়ত্ত কৰি ৰাজদ্বাৰত একপ্ৰকাৰে নিজক তথা শিল্পক বিক্ৰয় কৰাত কথাত দেৱশৰ্মাই আত্মস্বাৰ্থৰ প্ৰকট ৰূপ দেখা পাইছিল, আৰু এই কাৰ্য্যক—ধনৰ ওচৰত মনবিক্ৰয় কৰাৰ মানৱসমাজত বেহানিৰ বিহ বিয়পোৱাৰ ঘৃণ্য পৰিস্থিতি দেখা পাইহে বিৰত হৈছিল। ধনৰ বাবে সংগীতক, তথা সুগম কলা-শিল্পক, বেহানি কৰি তোলাৰ মন দেৱশৰ্মাৰ মনৰপৰা তিৰোহিত হৈছিল বুলি তেওঁ তেনেহেন আচৰণ কৰিছিল।”

*

ৰজা বিক্ৰমৰ এই উত্তৰ শুনামাত্ৰেই বেতালে সেই শ’টো লৈ সাউতকৰে গুচি গ’ল, আৰু গৈ গৈ সেই গছজোপাৰ এটা ডালত পুনৰ ওলমি থকা হ’ল। [ কল্পিত

# দূষণৰ মৰণ

চন্দ্ৰপুৰৰ অতীশশৰ্মাৰ নাম-খ্যাতি আছিল অতিথি-সৎকাৰত। বৰ বেছি ধুমধাম-আয়োজন আলহীৰ বাবে কৰা নাছিল এই পৰিয়ালখনে, কিন্তু আলহীয়ে নিজক ঘৰৰে এজন বুলি ভাবি ল'ব পাৰিছিল।

এদিন বিকাৰ নামৰ এজন দূৰ-সম্পৰ্কীয় আত্মীয় আহিল অতীশশৰ্মাৰ ঘৰলৈ। বিকাৰ — নামতো, কামতো কিঞ্চিত বিকাৰেই। বিশেষকৈ সৰু সৰু ল'ৰা-ছোৱালীহঁতক জোকাবলৈ, কন্দুৱাবলৈ বৰ ভাল পাইছিল বিকাৰে।

অতীশশৰ্মাৰ নাতি-ল'ৰা প্ৰীতীশ আছিল দহ বছৰীয়া ল'ৰা। প্ৰীতীশে চিত্ৰাংকণ কৰি ভাল পাইছিল। এদিন সি এটা ঘোঁৰা আঁকিলে আৰু বিকাৰক দেখুৱালে। সৰু ল'ৰা, তাৰ আশা, বিকাৰ-খুড়াই তাৰ চিত্ৰলৈ-প্ৰশংসাহে কৰিব। কিন্তু চিত্ৰখনলৈ এপলক চায়েই বিকাৰে কৈ উঠিল যে এইটো ঘোঁৰা নহয়, গাধহে হৈছে। তাত আন কিছুমান চুবুৰীয়া ল'ৰাও বহি আছিল, বিকাৰৰ কথা শুনি সিহঁতে হাঁহি উঠিল।

প্ৰীতীশৰ চকু-মুখ লাজত ৰঙা পৰিল। বিকাৰে প্ৰীতীশক ক'লে, "তোমাৰ চিত্ৰাংকণ বেয়া নহয়। গাধটোও ভালেই আঁকিছা, যদিও আঁকিছিলা—ঘোঁৰা? আগলৈ—ঘোঁৰা আঁকিবলৈ হ'লে গাধ এটা আঁকিবা, গাধটোৱেই পট্‌কৈ ঘোঁৰা হৈ দৌৰিব চাবা!"

তাৰ পাছত প্ৰীতীশে তাৰ ঘোঁৰাৰ চিত্ৰখন—বিকাশৰ ওচৰলৈ লৈ গ'ল। বিকাশ আছিলএজন উচ্চশ্ৰেণীৰ চিত্ৰকাৰ।

ৰমেশ মহলদাৰ

তেওঁ প্ৰীতীশৰপৰা বিকাৰৰ কথা শুনিলে আৰু তাৰ পাছত প্ৰীতীশক ক'লে, "তুমি আগতকৈ ভালকৈ চিত্ৰ আঁকিব পাৰিছা। কিন্তু—তোমাৰ মাজত ধৈৰ্য্য কিছু কম দেখা পাইছোঁ। যেইকোনো কলাবিদ্যা শিকিবলৈ হ'লে—অন্যান্য গুণ কম হলেও —ধৈৰ্য্যগুণৰ আৱশ্যক হ'বই। যি কি নহওক — তুমি যদি মনপুতি শিকা, ময়েই তোমাক চিত্ৰাংকণ শিকাম।"

বিকাশৰ ওচৰত চিত্ৰাংকণ শিক্ষাৰ গুণত প্ৰীতীশৰ মাজত চিত্ৰাংকণ-বিদ্যা দিনে-দিনে প্ৰস্ফুটিত হৈ থাকিল ; কিন্তু বিকাৰৰ বিকাৰ নুগুচিল। বিকাৰে যথাৰীতি প্ৰীতীশৰ চিত্ৰাংকণৰ দূষণ ধৰাতে ব্যস্ত হৈ থাকিল।

প্ৰায় তিনি মাহৰ অন্তত এদিন প্ৰীতীশে তাৰ শিক্ষাগুৰু বিকাশক ক'লে যে—বিকাৰে এতিয়াও তাৰ চিত্ৰাংকণ ভাল পোৱা নাই। এই কথাত যে তাৰ মনত দুখ — সেই কথাটোও প্ৰীতীশে বিকাশক ক'লে।

বিকাশে তেওঁৰ নিজৰ অঁকা চিত্ৰ এখন প্ৰীতীশক দিলে আৰু ক'লে, "এইখন বিকাৰক দেখুৱাবা, আৰু এইখন তুমি অঁকা বুলি ক'বা। তেতিয়া বিকাৰে কি কয়—মোক ক'বাচোনহি— ?"

চিত্ৰখন আছিল গদাধাৰী ভীমৰ চিত্ৰ। বিকাৰে চিত্ৰখনলৈ চাই হাঁহি মাৰি



প্ৰীতীশক ক'লে, "তুমি — আঁকিবলৈ লৈছিলা ভীমৰ চিত্ৰ হ'লগৈ জাম্বৱন্তৰ।"

প্ৰীতীশে ক'লে, "এইখন ভীমৰেই চিত্ৰ!"

বিকাৰে হো হোকৰে হাঁহি হাঁহি ক'লে, "তুমি এতিয়াৰপৰা যি আঁকিবা বুলি ভাবিবা—বিপৰীত আঁকিবা।"

প্ৰীতীশে বিকাশক সকলোখিনি কথা ক'লেগৈ। সি লগতে আৰু ক'লে, "অ পুনিও কিজানি চিত্ৰাংকণত কিছু কেঁচা, সেইহে ময়ো কেঁচা হৈয়েই থাকিছোঁ।"

বিকাশে ক'লে, "আচলতে—তোমালোকৰ আলহী বিকাৰহে বক্ৰবুদ্ধীয়া। কোৱাচোন বিকাৰৰ কথা, শুনো অলপ।"

প্ৰীতীশে ক'লে, "তেওঁ—যোৱা প্ৰায়

তিনি মাহলৈ আমাৰ ঘৰত আছে। খোৱা-বোৱা-শোৱা, তাৰ বাহিৰে একমাত্ৰ কাম তেওঁৰ—আনৰ দূষণ ধৰা। তেওঁ যোৱাৰ নামকে নলয়। আমাৰ এতিয়া ভয়—তেওঁ বিকাৰে কিজানি—আমাক নিকাৰ ভুঞ্জাবলৈহে আহিছে।"

"ঠিক আছে, মই এখন চিত্ৰ আঁকি দিছোঁ তোমাক, এইখনো তুমি নিজেই অঁকা বুলি সকলোকে ক'বা। কিন্তু আন সকলোটিক চিত্ৰখন দেখুৱালেও—বিকাৰক পট্‌কৈ নেদেখুৱাবা। চাবা, তেওঁৰ—বিকাৰৰ কিখিনি নিকাৰ হয়।"

বিকাশে কোৱামতেই প্ৰীতীশে কাম কৰিছিল, চিত্ৰখন বিকাৰৰ বাহিৰে আন সকলোকে দেখুৱাইছিল।

চিত্ৰখনলৈ চাই ককাকে কৈছিল, "গাহৰিৰ।" আইতাকে ক'লে, "নহয়, গাহৰি নহয়, ম'হ।" পিতাকে—'গাধ' বুলি ক'লে। আৰু মাকে ক'লে, "বলধ হ'ব যেন পাওঁ।" এটা চুবুৰীয়া ল'ৰাই এই চিত্ৰখন এটা 'কুকুৰ'ৰ চিত্ৰ বুলি ক'লে, আন এটা ল'ৰাই 'শিয়াল' বুলি ক'লে।

ইমানপৰলৈকে চিত্ৰখন হাতে-হাতে ঘূৰি আছিল, আৰু সকলোটিৰ মন্তব্য শুনি বিকাৰে মজা পাই আছিল। এইবাৰ বিকাৰে কৈ উঠিল, "চিত্ৰখন—মোক এবাৰ দেখুৱাচোন বাৰু—চাওঁ কি আঁকিলা।" এইবুলি কৈ, বিকাৰে চিত্ৰখন সৰু ল'ৰা এটিৰ হাতৰপৰা লৈ ল'লে। আৰু লগে লগে বিকাৰৰ মুখখন শেঁতা পৰিল।

চিত্ৰখন আছিল হুবহু বিকাৰৰ চিত্ৰ!

তেতিয়া বিকাৰে বুজি পালে যে—অতীশশৰ্মাৰ ঘৰখন তাৰ ওপৰত কিমান বিৰূপ হৈ উঠিছে।

আৰু—বিকাৰে তৎক্ষণাৎ তাৰ লাম-লাকটুখিনি গোটাই-পিটাই—তলমূৰ হৈ গাঁৱলৈ বুলি খোজ ল'লে।

জীৱনত প্ৰথমবাৰৰ বাবে এইবাৰহে বিকাৰে শিকিলে: সদায় ধৰিলে আনৰ দূষণ, শেহলৈ হয় নিজৰ মৰণ।



# কেৰলৰ কাণে কাণে

ৰচন : মীৰা নায়াৰ  *  চিত্ৰণ : গোপকুমাৰ

আৰব সাগৰৰ কাণে কাণে কৰ্ণাটকলৈ আগ বাঢ়ি বাঢ়ি গৈ থাকিলে আমি যি সাগৰে-আগুৰা অঞ্চল পামগৈ, সেই অঞ্চলৰ নাম—কেৰল। এই সুবিস্তৃত সাগৰ-বিধৌত অঞ্চল প্ৰায় ৫৫০ কিল'মিটাৰলৈকে বিয়পা এক ঠেক কিন্তু অপূৰ্ব সেউজীয়া নাৰিকলৰ সমদলেৰে ভৰপূৰ ভূমিভাগ। আদিতে এই ভূমিভাগক 'চেৰালম' বুলি কোৱা হৈছিল—যাৰ অৰ্থ হ'ল—সাগৰে হোঁহকা দিয়াত ওলোৱা ভূমি। জনশ্ৰুতি, পৰশুৰামে তেওঁৰ কুঠাৰ সাগৰৰ এই ঠাইলৈ দলিয়াই পেলাইছিল। যি কি নহওক, ভূতাত্ত্বিকসকলৰ মতে : কেৰলৰ এই ভূমিভাগ হ'ল ভূঁইকঁপৰ প্ৰত্যক্ষ ফল, যি ভূঁইকঁপৰ ফলত সমুদ্ৰগৰ্ভৰপৰা উত্থিত হৈছিল ভাৰতৰ সুবিস্তীৰ্ণ ভূমি।

খৃষ্টীয়-যুগৰ আৰম্ভণিৰো বহু বহু আগৰেপৰাই এই ভূমিভাগৰ অন্তৰ্গত মালাবাৰ-সামুদ্ৰিক বন্দৰৰ সৈতে মিচৰদেশ, আৰব, গ্ৰিচদেশ, অ্যাছিৰিয়া আৰু ৰোমৰ বাণিজ্যিক-সম্পৰ্ক স্থাপিত হৈছিল। লগতে কান্নুৰ, থ্যালছেৰি, কোজ্বিকোড, পান্থালনি, বেইপুৰ কুইল্যাণ্ডি আদিও যুক্ত হৈছিল।

উত্তৰ-কেৰলৰ কুন্নুৰ জিলাৰ এযি হিমালা বা এজিমলাৰ ২১৬ মিটাৰ ওখ শিলাময় পাৰ্বত্যভূমিভাগ পৰিলক্ষিত, যি-শিলাময় পাৰ্বত্যভূমিৰ ২৫০ মিটাৰ আছে সাগৰগৰ্ভত।

এজিমলাত এক নৌ-আকাদামিৰ প্ৰতিষ্ঠা হ'ব ধৰিছে।



এজিমলাৰ শিলাময় সাগৰপাৰ

ভাৰতৰ ছাৰ্কাছ-শিল্পৰ জনমভূমি হ'ল এই কেৰল ৰাজ্য। ভাৰতৰ প্ৰায় সকলো উল্লেখযোগ্য ছাৰ্কাছৰ খেলুৱে এতদঞ্চলৰ মালয়ালী সকলৰপৰা ওলায়, বিশেষকৈ কান্নুৰ থ্যালাছেৰি অঞ্চলৰপৰা। ভাৰতৰ প্ৰথম ছাৰ্কাছ-ট্ৰেইনিং ইনস্টিটিউট ১৯০১ চনত এই থ্যালাছেৰিস্থ প্ৰখ্যাত ছাৰ্কাছবিদ কন্হিৰামনৰ দ্বাৰা প্ৰতিষ্ঠিত হৈছিল। কুন্হিৰামন কেৰলৰ সামৰিক খেল কলৰিপয়ট্টুৰ এগৰাকী বিশেষজ্ঞ।



থ্যালাছেৰিৰ দক্ষিণ দিশত থকা নয়নাভিৰাম সৰুকৈ চহৰখনৰ নাম হ'ল—মাহে। মাহে হ'ল কেন্দ্ৰ-শাসিত পণ্ডিচেৰিৰ অংশ। আগৰ দিনত মাহেক 'মইয়য্‌ঝি' বা 'মৈয়াঝি' বুলি জনা হৈছিল। তাৰ পাছত—ফৰাচি ক্যাপ্‌টিন বেৰ্ত্ৰা ফ্ৰাঁছৱা মাহে দ্য লাবাৰ্দি-ৰ নামেৰে ঠাইডোখৰৰ নাম হৈ পৰিছিল—মাহে। এইগৰাকী ফৰাচি ক্যাপ্‌টিনে ফ্ৰান্সৰ হৈ এই ঠাইডোখৰ অধিকাৰ কৰিছিল। যেতিয়া ভাৰতৰপৰা ফৰাচি-শক্তিয়ে বিদায় লোৱা হ'ল তেতিয়া ফৰাচি কৰ্তৃপক্ষই তেওঁলোকৰ ভাৰতীয় উপনিবেশৰ অধিবাসীসকলক ফৰাচি নাগৰিকত্ব প্ৰদান কৰি গ'ল। সেইহে, এই কেন্দ্ৰ-শাসিত ঠাইত অসংখ্য ভাৰতীয় বংশোদ্ভূত ফৰাচি নাগৰিক বিদ্যমান। ফ্ৰান্সৰ পাৰ্ল্যামেণ্টত এই ঠাইৰ প্ৰতিনিধি আছে।

বাডবকেৰা বা বাডগৰা বাণিজ্যিক চহৰ। চহৰখনৰ ঘাই বাণিজ্যিক বস্তু জালুক আৰু নাৰিকল। বাডগৰা উত্তৰ মালাবাৰৰ প্ৰখ্যাত বীৰ তচ্চলি অ'তেনন-ৰ জন্মস্থান। এওঁৰ বীৰতাৰ গাথা 'বডক্কন পাট্টকলু' সমগ্ৰ অঞ্চলত গোৱা হয়, আৰু বাডগৰাৰ ওৰচত অ'তেনন-ৰ নামত উৎসৱো পালিত হয়।

কেৰলৰ সামৰিক খেল কলৰিপয়ট্টু

## কুকুৰা-ডাকৰ দেশ কোজিকোড

আৰু দক্ষিণদিশলৈ গৈ গৈ আমি পামগৈ পন্দলয়ানি। এই ঠাইৰ ঐতিহাসিক মহত্ত্ব মন-কৰিবলগীয়া। ইয়াত ষষ্ঠ শতিকাত নিৰ্মিত এক মছজিদ আছে, যি-মছজিদ মক্কাৰ মছজিদৰ প্ৰায় অনুৰূপ। এই মছজিদৰ নিৰ্মাতা আছিল মালিক ইব্‌ন্ দীনাৰ। এই মছজিদৰ গুম্বজ তামৰ পাতেৰে মেৰিউৱা। এই ফালেদি যোৱা সকলো আৰবীয় জাহাজে সন্মান-প্ৰদৰ্শনাৰ্থে ইয়াত ৰৈছিল।

এই মছজিদৰ ওচৰত থকা সমুদ্ৰতটত এক পদচিহ্ন আছে, যি-পদচিহ্ন শ্ৰীলংকালৈ যাওঁতে ভাৰতৰ ভূমিত ক্ষন্তেকৰ বাবে নামি অহা হজৰত আদমৰ পদচিহ্ন বুলি মান্য কৰা হয়।

আৰু কিছু দক্ষিণলৈ গৈ থাকিলে পোৱা যাব কোজিকোড। যি-কোজিকোডক ইংৰাজ-আমোলত কোলিকট বুলি কোৱা হৈছিল। খৃষ্টীয় নৱম শতিকাত মালাবাৰ ভূখণ্ডৰ শেষ শাসক চেৰমান পেৰুমলে নিজৰ ৰাজ্য তেওঁৰ চৰ্দাৰইঁতক ভগাই দিছিল, আৰু তাৰ পাছত তেওঁ মক্কালৈ গুচি গৈছিল। তেতিয়া তেওঁ তেওঁৰ ঘাই চৰ্দাৰ জামোৰিনক কৈছিল যে তালি মন্দিৰৰপৰা কুকুৰাই ডাকিলে য'লৈকে শুনা যাব, ত'লৈকে তোমাৰ ৰাজ্যসীমা। তেতিয়াৰেপৰাই এই কোজিকোড অঞ্চলক কুকুৰা-ডাকৰ দেশ কোৱা হৈছিল।

প্ৰকৃতপক্ষে জামোৰিন পৰম্পৰাগত উপাধি। এই 'জামোৰিন' শব্দটো মূলতঃ 'সামুদ্ৰিন' (অৰ্থাৎ সমুদ্ৰ-স্বামী)ৰ অপভ্ৰংশ।

জামোৰিনে কুঁৱালি মৰক্কাৰ নামৰ বিখ্যাত নৌ-সেনাপতিৰ সহায়ত কোজিকোডক শক্তিশালী তথা সমৃদ্ধ সামুদ্ৰিক ৰাজ্যৰূপে গঢ়ি তুলিছিল।

জামোৰিনৰ ওচৰত ভাস্কো-ডা-গামা

খৃষ্টীয় পঞ্চদশ শতিকাত চীনদেশৰ সৈতে কোজিকোডৰ সামুদ্ৰিক বাণিজ্য হৈছিল। চীনদেশৰ বণিজাৰসকলে—সোণ, ৰূপ, তাম আৰু পাট লৈ ইয়াৰপৰা জালুক, দালচেনি, এলা আৰু কপাহী-কাপোৰ লৈ গৈছিল।

১৪৯৮ চনৰ ২০ মে'ৰ দিনা এতদঞ্চলত ভাস্কো-ডা-গামাই পদাৰ্পণ কৰিছিল, আৰু তেতিয়াৰপৰা এক ঐতিহাসিক ঘটনাৰ সূত্ৰপাত হৈছিল। ভাস্কো-ডা-গামা-আৱিষ্কৃত ভাৰতলৈ অহা সমুদ্ৰ-পথে এছীয় আৰু ইউৰোপীয় বহুতো দেশৰ উত্থান-পতনৰো সৃষ্টি কৰিছিল।

জামোৰিনে পৰ্টুগিজসকলক আদৰিয়েই লৈছিল, কিন্তু তেওঁলোকে লৈ অহা উপহাৰ-দ্ৰব্য—টুপি, বস্ত্ৰ, বিভিন্ন সামুদ্ৰিক মণিৰ মালা, হাত-ধোৱা-পখলাৰ বাচন-বৰ্তন আদিয়ে জামোৰিনক তুষ্ট কৰিব পৰা নাছিল। যাহওক, পাছত জামোৰিনে পৰ্টুগিজসকলক কালিকটত এটি দুৰ্গ সাজিবলৈ অনুমতি দিছিল।

ইংৰাজসকলক কালিকটলৈ আহিছিল ১৬১৫ চনত। কিন্তু ইংৰাজৰ ইস্ট ইণ্ডিয়া কম্প্যানিৰ অধিকাৰ—পোন প্ৰথমতে ১৭৯২ চনতহে টিপু ছুলতানৰ সৈতে চুক্তিৰ সহযোগে প্ৰতিষ্ঠিত হৈছিল।

বৰ্তমানত কোজিকোড হ'ল ভাৰতৰ কাঠ-ব্যৱসায়ৰ অন্যতম বৃহৎ কেন্দ্ৰ। কোজিকোডৰ কাল্লাই হ'ল আমাৰ দেশ তথা পৃথিৱীখনৰো অন্যতম সুবৃহৎ কাঠ-কেন্দ্ৰ।

কোজিকোডৰপৰা ৯ কিল'মিটাৰ দক্ষিণে সাগৰপৰীয়া চহৰ বেইপুৰ অৱস্থিত। টিপু ছুলতানৰ আমোলত বেইপুৰৰ নাম আছিল 'ছুলতানপত্তনম্', আৰু এই বেইপুৰ তথা ছুলতানপত্তনম্ আছিল তৎকালীন মালাবাৰৰ ৰাজধানী। এইখন চহৰত এক নৌ-নিৰ্মাণ ইয়াৰ্ড আছে, আৰু এতিয়াও ইয়াৰপৰা বিপুলসংখ্যক নাৰিকল আৰু অন্যান্য বহু বিধৰ দ্ৰব্য-সামগ্ৰী ৰপ্তানী কৰা হয়।

বিৰাট বিৰাট কাঠৰ টুকুৰাবোৰ চোঁচোৰাই নিয়াৰ বাবে হাতী ব্যৱহৃত হৈছে। খৃষ্টীয় আমোলৰ মহান ৰজা চলোমানে ঈশ্বৰ-মন্দিৰৰ নিৰ্মাণাৰ্থে ইয়াৰপৰা চেগুন-কাঠ লৈ গৈছিল বুলি জনা যায়।



© AMRITA BHARATI,
BHARATIYA VIDYA BHAVAN 1996



# ৰাক্ষসে কৰিলে ৰক্ষা

এসময়ত দণ্ডকাৰণ্যত ৰক্তপিপাসী নামৰ এক ৰাক্ষস আছিল। ৰাক্ষস ৰক্তপিপাসীয়ে ঘাইকৈ জন্তু-জানোৱাৰকে বধিছিল, কিন্তু নৰমাংস আছিল তাৰ অতি প্ৰিয় খাদ্য।

এই অৰণ্যত এক ভগা-টুটা গৃহত আছিল কিৰণাক্ষিণী গোসাঁনীৰ অধিষ্ঠান। একালত এই গোসাঁনীৰ যত্নতে এই অঞ্চল আছিল ধনেজনেশস্যে ভৰপূৰ। কিন্তু হঠাৎ এবাৰ প্ৰচণ্ড ভূমিকম্পৰ ফলত ঠাইডোখৰ প্ৰায় উবাৰহেন হৈ পৰিল। আৰু এতদঞ্চলৰ চিৰস্থায়ী সকলো আন ঠাইলৈ গুচি গ'ল। কিন্তু দেৱী কিৰণাক্ষিণী ইয়াতে থাকি গ'ল। তেওঁৰ গৃহ, অৰ্থাৎ কিৰণাক্ষিণী গোসাঁনীৰ মন্দিৰক ভূঁইকঁপেও টলাব নোৱাৰিছিল।

এনিশা ৰাক্ষস ৰক্তপিপাসী অতিপাত ভোকাতুৰ হৈ পৰিল। তেতিয়া সি তাৰ গুহাৰপৰা ওলাই জন্তু-জানোৱাৰ বিচাৰি থাকিল। তেতিয়া অৰণ্যৰ বুকুত জোনৰ পোহৰ বিয়পি পৰিছিল। আৰু এনেহেন জোনালী উপভোগ কৰাৰ মনেৰে— আনকি স্বয়ং কিৰণাক্ষিণী গোসাঁনীও তেওঁৰ মন্দিৰৰূপী ঘৰ এৰি বাহিৰলৈ ওলাই আহিছিল।

কিছু দূৰৰপৰা ৰাক্ষস ৰক্তপিপাসীয়ে কিৰণাক্ষিণী গোসাঁনীক দেখা পালে, আৰু জীৱন্ত নাৰীদেহমাংস আহাৰৰ কল্পনাৰ আনন্দত প্ৰচণ্ডভাৱে চিঞৰি উঠাত দেৱী কিৰণাক্ষিণীয়ে কৈ উঠিল, "হাৰে অধম ৰাক্ষস! মই যে কোন— তুমি নাজানা বুলিহে আনন্দত উত্তাৰল হৈছা, মই কিৰণাক্ষিণী!"

ভ্ৰমৰ বৰুৱা

ৰাক্ষস ৰক্তপিপাসে যে বিৰাট-বিকট অট্টহাঁহিৰে ক'লে, "তুমি যেয়ে হোৱা, মোৰ কি? মই ভোকাতুৰ, তোমাক পালোঁ, তোমাক খাম।"

"বাৰু, তোমাৰ এই অহংকাৰৰ সমুচিত দণ্ড দিম।" এই বুলি কৈ, কিৰণাক্ষিণী গোসাঁনীয়ে তেওঁৰ শূলডাল ৰাক্ষসলৈ টোঁৱাই নিক্ষেপ কৰিলে, আৰু শূলৰপৰা ওলোৱা টিকটিকীয়া বস্তা অগনিয়ে ৰাক্ষসৰ দুচকু মুহূৰ্ততে অন্ধ কৰি পেলালে।

তেতিয়াহে ৰাক্ষস ৰক্তপিপাসীয়ে দেৱীৰ চৰণত পৰি ক'লে, "হে আই, অগিয়ানৰ অপৰাধ—মৰিয়াহে আই!"

দেৱীয়ে শান্তকণ্ঠেৰে ক'লে, "তোমাৰ অপৰাধ যদিও অক্ষমনীয়, তথাপি, তোমাক এটা চকুৰ দৃষ্টিশক্তি ফিৰাই দিছোঁ।"

"আই মই এতিয়াৰপৰা তোমাৰ দাস।"

দেৱীয়ে ক'লে, "এই কুটীৰৰূপী মন্দিৰেই হ'ল মোৰ নিবাস। এতিয়াৰপৰাই তুমি নৰমাংস আহাৰৰপৰা সম্পূৰ্ণৰূপে বিৰত হোৱা আৰু ৰাক্ষসজনমৰপৰা মুক্তি লভিবলৈ যত্নপৰ হোৱা।"

এই ঘটনা যিঠাইত ঘটিছিল, তাত এজোপা বড় বৃক্ষ আছিল। এই বড়বৃক্ষৰ আঁৰত লুকাই থকা বিশ্বনাথে এই দৃশ্য দেখা পাইছিল। বিশ্বনাথ আছিল—বৈশালীদেশৰ চোৰাংচোৱা। কিৰণাক্ষিণী দেৱী যে কিমান শক্তিমান—সেই কথা বিশ্বনাথে গমিলে। সি বৃক্ষৰপৰা নামি আহি কিৰণাক্ষিণী গোসাঁনীৰ গৃহ-মন্দিৰলৈ গ'ল, আৰু দেৱীৰ সন্মুখত কৰ যুৰি দণ্ডায়মান হৈ ক'লে, "আইহে গোসাঁনী! যি হ'ল—মই সেইবোৰ ঘটনাৰ প্ৰত্যক্ষ সাক্ষী। মই বহুধৰণে মোৰ বেমাৰৰ চিকিৎসা কৰালোঁ, কিন্তু তাৰে কোনো লাভ নহ'ল। মোৰ পুত্ৰটি বোবা। তাৰ নিৰাময় বাবে—হে আই, কিবা এটি বৰ দিয়া।" এই প্ৰাৰ্থনাৰ অন্তত চোৰাংচোৱা বিশ্বনাথ তাৰপৰা গুচি গ'ল।

আৰু এটি বিচিত্ৰ ঘটনা ঘটিল।

অলপ পাছত এজোপা জোপোহাৰ আঁৰৰপৰা বীৰবাহু নামৰ তীৰ্থযাত্ৰী এজন ওলাই আহিল। বীৰবাহুৱেও দেৱী আৰু

ৰাক্ষসৰ মাজত হোৱা ঘটনাৰ প্ৰত্যক্ষ সাক্ষী আছিল। বীৰবাহু কিৰণাক্ষিণী দেৱীৰ গৃহ-মন্দিৰৰ কায চাপিল আৰু ক'লে, "হে জগৎমাতা!" মই সন্তানহীন! হে দেৱী, সন্তানৰ বৰ দান কৰি মোক ধন্য কৰাঁ, আই!"

কিছুদিনৰ অন্তত বিশ্বনাথ আৰু বীৰবাহুৱে নিজ-নিজ ৰাজ্যৰ ৰাজধানী পালেগৈ। বিশ্বনাথৰ পুত্ৰ এতিয়া আৰু বোবা হৈ থকা নাছিল, সি সহজভাবেই মাত-বোল কৰিব পাৰিছিল। বিশ্বনাথৰ পুত্ৰই দেশৰ ৰজাক সকলো কথা ক'লেগৈ। তাৰ পাছত পুনৰ ক'লে, "মহাৰাজ, আপুনি দেৱী কিৰণাক্ষিণীৰ ভগা-টুটা গৃহৰূপী মন্দিৰ সংস্কাৰ কৰি দিয়ক, আৰু দেৱীৰ আশীৰ্বাদধন্য হওক।"

ইপিনে—নিজৰাজ্য উদয়পুৰ ৰাজ্য পাই—বীৰবাহুৱে যেতিয়া জানিব পাৰিলে যে তাৰ পত্নী গৰ্ভৱতী, তেতিয়া তাৰ আৰু আনন্দৰ সীমা নোহোৱা হ'ল। বীৰবাহুৱেও উদয়পুৰৰ ৰজাক একেই কথা ক'লে: মহাৰাজ, আপুনি কিৰণাক্ষিণী দেৱী মন্দিৰৰ সংস্কাৰ কৰক—আপোনাৰ নাম চতুৰ্দিশতে পৰিব্যাপ্ত হ'ব।

দুয়োগৰাকী ৰজাই নিজ-নিজ সৈন্য বাহিনীৰে সৈতে কিৰণাক্ষিণী দেৱীৰ অৰণ্য-গৃহ-মন্দিৰলৈ আহিল। মহাৰাজ চন্দ্ৰকান্তই যেতিয়া কিৰণাক্ষিণী দেৱীৰ পূজাৰ্চ্চনা সামৰিলে, ঠিক তেতিয়াই উদয়পুৰৰ ৰজা জয়ধ্বজ সসৈন্যে তালৈ আহিল। দুয়ো পক্ষ যেতিয়া সমুখা-সমুখি হ'ল, উদ্দেশ্য যে দুয়ো পক্ষৰেই একেই—



সেই কথা প্ৰকাশ হৈ পৰিল।

মহাৰাজ চন্দ্ৰকান্তই ক'লে, "হে মহাৰাজ জয়ধ্বজ, এই অৰণ্য আমাৰ ৰাজ্যৰ সীমাৱৰ্তী। গতিকে কিৰণাক্ষিণী দেৱীৰ মন্দিৰ-নিৰ্মাণ আমাৰ কৰ্তব্যকৰ্ম।"

ৰজা জয়ধ্বজে মিচিকীয়াই হাঁহি মাৰিলে আৰু ক'লে, "হে মহাৰাজ, আপোনাৰ বক্তব্য ভ্ৰান্ত। এই অৰণ্য আমাৰ। গতিকে—আমিয়েই দেৱীৰ মন্দিৰ নিৰ্মাণত অধিকাৰী।"

ৰজাদ্বয়ৰ ইংগিতত দুয়ো পক্ষৰ সৈন্য যুদ্ধলৈ প্ৰস্তুত হ'ল। দুয়োগৰাকী ৰজায়েই খাপৰপৰা তৰৱাৰি উলিয়ালে আৰু পৰস্পৰক সতৰ্ক কৰিলে।

আৰু ঠিক এনেতে ৰাক্ষস ৰক্তপিপাসী লৰবি আহিল, আৰু আহিয়েই—যুদ্ধোদ্যত ৰজাদ্বয়লৈ চাই ক'লে, "হাৰে নিৰ্বুদ্ধিদ্বয়! যুদ্ধৰ অৰ্থ হ'ল—নিৰৰ্থক ৰক্তপাত। ৰজা হিচাপে—তোমালোকৰ কৰ্তব্য হ'ল নিজ-নিজ প্ৰজাৰ সুখ-শান্তি, অনৰ্থক ৰক্তপাত নহয়— এইকণ শিক্ষাও তোমালোকৰ নাই নে?—এটা কাম কৰা, দুয়ো মিলা-প্ৰীতিৰে গোসানীৰ মন্দিৰ পুনৰ নিৰ্মাণ কৰি দিয়া, গোসানীয়েও ভাল পাব, আৰু এইদৰে দুয়োখন ৰাজ্যৰ প্ৰজাবৰ্গয়েই সমতাৰ ভিত্তিত মুক্তভাৱে দেৱী-দৰিশনলৈ অহা-যোৱা কৰিব পাৰিব। —কিন্তু তথাপি যদি তোমালোক যুদ্ধৰপৰা বিৰত নহৈছা, মই তোমালোকক খাই থ'ম।"

তেতিয়া কিৰণাক্ষিণী দেৱীয়ে প্ৰত্যক্ষ হৈ দেখা দিলে, আৰু ৰাক্ষস ৰক্তপিপাসীক ক'লে, "হে ৰক্তপিপাসী, তুমি ৰাক্ষস হৈও যে প্ৰজাবৰ্গক ৰক্তপাতৰপৰা ৰক্ষা কৰিলা, তাৰ বাবে মই তোমাক তোমাৰ ৰাক্ষসৰূপী গু-জীৱন গুচাই—পূৰ্ণ দৃষ্টিৱান কৰি প্ৰকৃত মনুষ্য-জীৱন প্ৰদান কৰিলোঁ।"

মহাৰাজ চন্দ্ৰকান্ত আৰু ৰজা জয়ধ্বজ লজ্জিত হৈ নিজ-নিজ ৰাজ্যলৈ উভতি গৈছিল আৰু পাছত যুগ্মভাৱে দেৱীৰ মন্দিৰৰ সংস্কাৰ সাধন কৰিছিল।



চান্দমামা

# সোণালী দুৱাৰ

# সোণালী দুৱাৰৰ প্ৰশ্নাৱলী

**1**

১৯৩৮ চনত আমেৰিকাৰ অনাতাঁৰ-কেন্দ্ৰই মংগল-গ্ৰহৰ অধিবাসীইতে পৃথিৱীলৈ অভিযান কৰাৰ নাট সম্প্ৰচাৰ কৰাত লাখ-বিলাখ মানুহে ধাৰৰ নল-কঁপা দিছিল। কোনখন উপন্যাসৰ ভেটিত এই নাটখন ৰচিত হৈছিল? উপন্যাসখনৰ ৰচক কোন?

**2**

ৰোম্যান পুৰাণ-গাথাত এওঁৰেই হ'ল জোনৰ দেৱী। চন্দ্ৰ বা জোন হ'ল এওঁৰ ধনু আৰু জোনৰ পোহৰ হ'ল কাঁড়। এই সুপ্ৰাচীনা দেৱীৰ নাম কি আছিল?

**3**

জ্যোতিৰ্বিদ্যাত বগা-বাওনা কাক বোলা হয়?


4
গ্ৰহবোৰ পশ্চিমৰপৰা পূবলৈ ঘূৰে; কিন্তু এটা গ্ৰহৰ ক্ষেত্ৰত ব্যতিক্ৰম। কোনটো গ্ৰহই পূবৰপৰা পশ্চিমলৈ ঘূৰে?
এই পৰ্টুগিজ নৌ-বিশাৰদৰ নামেৰে দুই হাতীপটিৰ নামকৰণ কৰা হৈছে। তেওঁনো কোন? সেই হাতীপটি দুটিৰ নাম কি?
5
এই পপীয়া-তৰাৰ পতনৰ ফলত ১২৬৫ মিটাৰ বহল আৰু প্ৰায় ১৮৫ মিটাৰ দ' গাঁতৰ সৃষ্টি হৈছে। পৃথিৱীত পতিত সুবৃহৎ পপীয়-তৰাৰ মাজত ই অন্যতম। পপীয়াতৰাটি ক'ত আছে?
6
১৯১০ চনত আমাৰ পৃথিৱীখনে এক বিশাল নেজালতৰাৰ নেজৰ মাজেদি গতি কৰিবলগীয়া হৈছিল আৰু ফলত পৃথিৱীৰ অসংখ্যাত মানুহ ভীত হৈ পৰিছিল। এই নেজালতৰাটোৰ নাম কি?
7

# সাঁচত পেলাই সাজা মুখা

এইবোৰ সহজ উপায়েৰে তোমাৰ মুখৰ জোখাৰে মুখা সাজি লোৱা

১. তোমাৰ মুখৰ আকাৰত পট্টিৰে এখন সাঁচ বনোৱা, আৰু সাঁচখন শুকাই লোৱা।

২. বাতৰিকাকত টুকুৰা-টুকুৰকৈ ফালি লোৱা, আৰু সেই সাঁচৰ ওপৰত এঠাৰে জোৰা লগোৱা। যেতিয়া এঠা শুকাব, তেতিয়া আকৌ এবাৰ কাগজৰ টুকুৰা লগোৱা, আৰু এইদৰে কমেও চাৰি-বাৰ কাগজৰ টুকুৰাবোৰ লগাই খৰখৰীয়াকৈ এক সপ্তাহ ধৰি শুকাৱাবা।

৩. যেতিয়া মুখাৰ সাঁচখন শুকাই খৰখৰীয়া হ'ব, তেতিয়া ভিতৰত থকা পট্টিবোৰ আঁতৰাই লোৱা, আৰু মুখাত নাক, মুখ আদিৰ কাৰণে বিন্ধা কৰি লোৱা। পাছত মুখাখনৰ ওপৰত তোমাৰ মনে-খোৱা ৰং সানা। উনী সূতাৰে দাড়ি-মোচ ভুৰুও লগাই ল'ব পাৰা। বছ, মুখা হৈ গ'ল।



# আঁকা মেকুৰী—৩ডাল সহজ ৰেখাৰে



# মহাভাৰত

২৭

বনবাস মানি লৈ, বনলৈ গৈ থাকোঁতে বৰ্ধমানপুৰ নামৰ গাঁও এখনত কিছুমান হস্তিনাপুৰীয়া মানুহে ধৰ্মৰাজক ক'লে, "হে ধৰ্মৰাজ, আমিও আপোনাৰ সৈতে বনবাস-যাত্ৰা কৰিবলৈ মনস্থ কৰিছোঁ। য'ত আপুনি নাই, তাত আমাৰ সুখ-শান্তিও নাই। আপোনাৰ লগ লাগি বনবাসলৈ যোৱাৰ অনুমতি প্ৰদানক।"

ধৰ্মৰাজে তেওঁলোকক ক'লে, "মই তোমালোকৰ ভ্ৰাতৃপ্ৰতিম, মোৰ কথালৈ মন কৰাঁ। আমাৰ কাৰণে আমাৰ মহাপিতা ভীষ্ম, পিতৃসম ধৃতৰাষ্ট্ৰ, বিদুৰ আৰু মাতৃ কুন্তীক যদি তোমালোকে বনবাসকালত সান্ত্বনা প্ৰদান কৰিব পৰা, আমি প্ৰকৃতপক্ষেই শান্তি লভিম। মই কওঁ তোমালোকৰ গৃহলৈ ফিৰি যোৱাঁ।"

ধৰ্মৰাজৰ যুক্তিপুৰ্ণ কথাত মানুহখিনিয়ে ওভোতা-বাট ল'লে, আৰু পাণ্ডৱসকলে ৰথোপৰি আৰূঢ় হৈ গংগা নৈলৈ বুলি আগবাঢ়িবলৈ ধৰিলে। সূৰ্য্যাস্তৰ কালত তেওঁলোকে যাত্ৰা স্থগিত কৰিলে আৰু তাতেই ৰাতি কটাবলৈ দিহা ল'লে।

তাত তেতিয়া ভালেসংখ্যক ব্ৰাহ্মণ সমৱেত হ'ল, আৰু তেওঁলোকেও পাণ্ডৱ-সকলৰ লগে লগে বনবাসী হ'বলৈ ইচ্ছা প্ৰকাশ কৰিলে।

তেতিয়া ধৰ্মৰাজে তেওঁলোকক ক'লে, "আমাৰ বোলোঁতে —এতিয়া আৰু একোৱেই নাই। আমি নিয়মৱদ্ধ বনবাসী হ'বলৈ যাত্ৰা কৰিছোঁ, আমাৰ সৈতে বনবাসী হৈ আপোনালোকে অযথা নিকাৰ ভুঞ্জাৰ বাহিৰে কোনো লাভ দেখা

'কাম্যকবনত পাণ্ডৱসকল'



নাই। আপোনালোকক সেই বনত আমি আহাৰ যোগোৱপৰাৰো কোনো নিশ্চয়তা নাই। এতেকে—আপোনালোক গৃহলৈ প্ৰত্যাবৃত হওক।"

তথাপি ব্ৰাহ্মণবৰ্গই ক'লে, "আমি আমাৰ আৱশ্যকীয়খিনি যেনেকৈয়েই নহওক—সংগ্ৰহ কৰি ল'ম। আমাক লাগে কেৱল আপোনালোকৰ সৎসংগ।"

তেতিয়া ধৰ্মৰাজে তেওঁলোকৰ পুৰোহিত ধৌম্যক সুধিলে, "মুনীশ্বৰ, এই ব্ৰাহ্মণসকলে মোৰ কথা নামানি আমাৰ লগত বনবাসী হ'ব খুজিছে। কিন্তু বনবাসত এওঁলোকক পোষণ কৰাৰ সাধ্য আমাৰ নহ'ব।—কিবা উপায় দিব পাৰেনে আপুনি?"

ধৌম্যই উপদেশ দিলে, "হে ধৰ্মৰাজ, অন্ন হ'ল আদিত্যময়। তুমি সূৰ্য্যলৈ আৰাধা, আৰু সূৰ্য্যদেৱতাৰ মহিমাৰে এই সকল ব্ৰাহ্মণক পৰিপোষণ কৰা।"

ধৰ্মৰাজে কিছুদিনলৈ সূৰ্য্যলৈ কায়-মনোবাক্যে আৰাধনা কৰি থাকিল। এদিন সূৰ্য্যদেৱতাই প্ৰত্যক্ষ হৈ ধৰ্মৰাজক দেখা দিলে আৰু ক'লে, "হে ধৰ্মৰাজ, এয়া লোৱা অক্ষয়-পাত্ৰ। দ্ৰৌপদীয়ে যদি এই পাত্ৰত কেঁচা ফল-মূল থয়, তেনেহ'লে —নিমিষতে তোমালোকৰ কাৰণে আৰু তোমালোকৰ আলহী সকলৰ কাৰণেও খাদ্য প্ৰস্তুত হৈ যাব।" এই বুলি কৈয়েই সূৰ্য্য-দেৱতা অদৃশ্য হৈ গ'ল।

তাৰ পাছত পাণ্ডৱসকলে গংগা-তট এৰি পশ্চিম দিশলৈ আগ বাঢ়ি গৈ থাকিল। যমুনা, দৃষদ্বতী আদি নদী অতিক্ৰমি তেওঁলোক কাম্যকবন পালেগৈ। কাম্যকবন আছিল অতি মনমোহা ঠাই। তাত ভালেমান মুনি বসবাস কৰিছিল।

পাণ্ডৱসকল কাম্যকবনত থকাতে ধৃতৰাষ্ট্ৰই বিদুৰক মতাই অনালে, আৰু ক'লে, "বিদুৰ, পাণ্ডৱসকলক বনবাসলৈ যোৱাৰ পাছৰেপৰাই — আনকি মোৰ একান্ত লোকসকলো মোৰপৰা আঁতৰি থকা হৈছে। এওঁলোকে বাৰু আমাৰ কিবা অনিষ্ট সাধিবনে? এওঁলোকৰ সৈতে সম্প্ৰীতাৰ উপায় আছে যদি—কোৱা।"

Sankar

মহাৰাজ ধৃতৰাষ্ট্ৰই আচলতে প্ৰজা-বিদ্ৰোহৰ ভয়ত ভীত হৈ উঠিছিল।

“ৰাজন্! ধৰ্ম হ'ল সকলো কথাৰ গুৰিকথা। তুমি ধৰ্মৰ পালন কৰিলেই হ'ল, ধৰ্মৰ যোগেদিয়েই পাণ্ডৱসকলক আৰু তোমাৰ পুত্ৰসৰকো ৰক্ষা কৰিব পাৰিবা। পাণ্ডৱসকলে তোমাৰ পুত্ৰসৰক নিৰ্মূল কৰিব পাৰে, সেই শক্তি পাণ্ডৱত নথকা নহয়। তোমাৰ পুত্ৰসৰে যদি পাণ্ডৱৰপৰা ক্ষমা ভিক্ষা কৰে, তেওঁলোকে অৱশ্যেই ক্ষমা কৰিব।--তুমি মোৰপৰা পৰামৰ্শ খোজাত মই ভালেই পাইছোঁ।”

“কিন্তু — এয়া তোমাৰ বক্ৰবুদ্ধি। মোৰ পুত্ৰসৰ হ'ল তোমাৰ চক্ষুশূল, বক্ষ-শূল। মোৰ পুত্ৰসৰৰ মংগল তোমাক নালাগে। যেতিয়াই দেখিছোঁ, তুমি পাণ্ডৱসকলৰ হৈ মাত মাতিছা। যদি ইচ্ছা কৰাঁ, পাণ্ডৱৰ সৈতে তুমিও বনবাসী হোৱাঁগৈ। আৰু যদি আন ক'ৰবালৈ যোৱাৰ মন, গুচি যাব পাৰা।”

আৰু বিদুৰে তৎমুহূৰ্ত্তেই ৰথোপৰি আৰোহি কাম্যকবনলৈ বুলি ৰাওনা হ'ল।

বিদুৰে যেতিয়া কাম্যকবন পালেগৈ, তেতিয়া ব্ৰাহ্মণ-পৰিবৃত হৈ ধৰ্মৰাজ উপৰিষ্ট হৈ আছিল। বিদুৰক আহিবলৈ ধৰা দেখি ধৰ্মৰাজে ভীমক ক'লে, “পাশতিত হাৰি আমি আমাৰ অস্ত্ৰ হেৰুৱা নাই, নহয়নে? ধাৰণা হৈছে—শকুনি আৰু দুৰ্য্যোধনে পুনৰ পাশতি খেলিবলৈ নিমন্ত্ৰণৰ বাবে বিদুৰশ্ৰীক আমাৰ ইয়ালৈ প্ৰেৰণ কৰিছে। নহ'লেনো তেওঁ কিয় ইয়ালৈ আহিল? —কিন্তু আগলৈ মই আৰু পাশতি নেখেলোঁ। পাশতিত যদি অৰ্জুনৰ গাণ্ডীৱ আৰু তোমাৰ গদা হেৰুৱাওঁ, যুদ্ধত বিজয়ী হোৱাৰ আশা আমাৰ নাই।”

বিদুৰ আহিল। ধৰ্মৰাজ আৰু অন্যান্যই বিদুৰক প্ৰণাম কৰিলে, আৰু সসম্মানেৰে আসনত বহুৱালে। তাৰ পাছত ধৃতৰাষ্ট্ৰৰ, আন সকলোটিৰো কুশল-মংগল সুধিলে।

বিদুৰে ধৃতৰাষ্ট্ৰৰ সৈতে হোৱা সমস্ত কথা পাণ্ডৱসকলৰ আগত বিবৰিলে আৰু তাৰ পাছত মন্তব্য কৰিলে, “পুত্ৰ-মোহত

ধৃতৰাষ্ট্ৰ অবিবেকী হ'ল।"

বিদুৰ যে পাণ্ডৱসকলৰ সৈতে কাম্যক-বনত আছেগৈ, সেই কথা মহাৰাজ ধৃতৰাষ্ট্ৰই জানিলে আৰু জানি—তেওঁ হত-চেতন যেন হ'ল। বিদুৰৰ সজ পৰামৰ্শেৰে যে পাণ্ডৱৰ লাভেই লাভ হ'ব সেই কথাত তেওঁ নিঃসন্দেহ হ'ল অলপ সময়ৰ পাছত ধৃতৰাষ্ট্ৰই সঞ্জয়ক ক'লে, "সঞ্জয়, বিদুৰ মোৰ ভ্ৰাতা, মোৰ স্নেহপাত্ৰ। বিদুৰ যথেষ্ট বুদ্ধিশালী। কিন্তু এদিন মই অলপ কঠোৰ ব্যৱহাৰ কৰাত বিদুৰ কাম্যকবনলৈ গৈ পাণ্ডৱসকলৰ লগ লাগিল। তুমি শীঘ্ৰে তালৈ যোৱা, আৰু বিদুৰক ফিৰাই লৈ আহাগৈ।"

সঞ্জয় কাম্যকবনলৈ গ'ল, আৰু আহাৰ হেতু ধৰ্মৰাজ ক'লে। তাৰ পাছত সঞ্জয়ে বিদুৰক ক'লে, "হে মহানুভৱ! আপুনি গুচি অহাত মহাৰাজ ধৃতৰাষ্ট্ৰ উদ্বেল হৈ উঠিছে। আপোনাক লৈ যাবলৈ তেওঁ মোক প্ৰেৰণ কৰিছে। আপুনি এইক্ষণে তালৈ ব'লক, আৰু তেওঁৰ মানসিক শান্তি ঘূৰাই আনক।"

ধৰ্মৰাজৰ অনুমতি লৈ, সঞ্জয়ৰ সৈতে বিদুৰ হস্তিনাপুৰলৈ আহিল। ধৃতৰাষ্ট্ৰই বিদুৰক আলিংগন কৰিলে আৰু ক'লে, "বিদুৰ, তুমি উত্তম। কিয়নো—মোৰ বাৰ্তা পাই উভতি আহিলা। মোৰ ৰূঢ়তা হৈছিল যদি—মোক ক্ষমা কৰাঁ।"



বিদুৰে ধৃতৰাষ্ট্ৰ মহাৰাজক ক'লে, "মই তোমাৰ আজ্ঞা পালন কৰিলোঁ। মই যি কওঁ, তোমাৰ মংগলৰ কাৰণেহে কওঁ। পাণ্ডৱ-কৌৰৱ—দুয়ো মোৰ ওচৰত একেই সমান। কেৱল — পাণ্ডৱসকলৰ স্থিতি কিছু দীন হোৱাহেতুকেহে কিঞ্চিত অধিক সহানুভূতি আছে, তেওঁলোকৰ প্ৰতি, আৰু এই সহানুভূতি ন্যায়সংগত।"

বিদুৰ উভতি অহাৰ পাছত দুৰ্য্যোধনে—কৰ্ণ, শকুনি, দুঃশাসন আদিক মতাই অনাই ক'লে, "বিদুৰ পুনৰ ফিৰি আহিল। তেওঁ যে পাণ্ডৱৰ হৈ আমাৰ পিতাশ্ৰীৰ ওচৰত কি গীত গাব—তাৰ কি ঠিক। পিছে—পাণ্ডৱক যদি পিতাশ্ৰীয়ে মতাই আনে—মই আত্মঘাতী হ'ম।"



শকুনিয়ে দুৰ্যোধনক ক'লে, বিকাৰ-গ্ৰস্তৰদৰে প্ৰলাপ নবকিবা। তোমাৰ পিতাশ্ৰীয়ে মতাই পঠালেও পাণ্ডৱ উভতি নাহিব। আৰু যদি আহে—তেনেহ'লে —যেনেতেনে পুনৰ পাশতিত প্ৰলুব্ধ কৰি বাটৰ ভিকহু কৰিহে এৰিম।"

দুৰ্য্যোধনে যে শকুনিৰ কথাত বৰ ভাল পোৱা নাই—সেই কথা উমানতে ঠাৱৰি কৰ্ণই দুৰ্যোধনক ক'লে, "আমি এতিয়াই যুদ্ধ কৰিবলৈ ওলাম আৰু পাণ্ডৱক পুলিয়ে-পোখাই মাৰিহে ফিৰিম। পাণ্ডৱৰ জীয়াই থকাৰ অৰ্থ হ'ল—শত্ৰুক জীয়াই ৰখা। আৰু—এতিয়া সিহঁতক বিনাশ নকৰিলে — পাছত আমিয়েই বিনশিত হ'ম।"

কৰ্ণৰ এই কথাত সকলোটিয়েই বৰ ভাল পালে।

কিন্তু ঠিক তেতিয়াই ধৃতৰাষ্ট্ৰৰ ওচৰত ব্যাসদেৱ উপস্থিত হ'লহি, আৰু ব্যাসদেৱে ধৃতৰাষ্ট্ৰক ক'লে, "তোমাৰ পুত্ৰসৱে পাণ্ডৱক মায়াবী পাশতিৰে পৰাজিত কৰি তেওঁলোকক ৰাজ্য-শাসনৰপৰা বঞ্চিত কৰিলে। কিন্তু মোৰ দৃষ্টিত—এয়া ঘোৰ অন্যায়, এওঁলোকক বনবাসী কৰাটো। তোমালোকৰ পক্ষে পাপৰ হেতু হ'ল, আৰু এতিয়া এই নিৰ্বিৰোধী-নিৰদোষী পাণ্ডৱসকলক বিনাশ কৰিবলৈ তোমাৰ পুত্ৰসৱ ওলাব ধৰিছে। তুমি তোমাৰ পুত্ৰসৱক এতিয়াই বাধা দিয়া। তুমি, ভীষ্ম, দ্ৰোণ, বিদুৰ প্ৰমুখই এনেহেন অধৰ্ম —হাত সাৱটি বহি বহি সহি থাকিবানে?"

ধৃতৰাষ্ট্ৰই ক'লে, "হে মহাত্মা, এই কাৰ্য্য অবাঞ্ছনীয়। কিন্তু—পুত্ৰপ্ৰেমেইহে মোক বলহীন কৰি তুলিছে। আপুনিয়েই সিহঁতক সৎ পথলৈ ঘূৰাই আনক।"

"মই মৈত্ৰেয় মহামুনিক ক'মগৈ কথাটো। তেৱেঁই তোমাৰ পুত্ৰসৱক বুজাব বুলি আশা কৰিছোঁ।" এই বুলি কৈ, ব্যাসদেৱ তাৰপৰা গুচি গ'ল।

কিছুদিনৰ অন্তত মৈত্ৰেয় মহামুনি হস্তিনাপুৰলৈ আহিল। ধৃতৰাষ্ট্ৰই মহা-মুনিলৈ আদৰণী জ্ঞাপনৰ পাছত সুধিলে, "হে মহাত্মা, আপুনি ক'ৰপৰা আহিল?"

"তীৰ্থযাত্ৰাৰ বাবে মই কাম্যকবনলৈ গৈছিলোঁ, আৰু তাত পাণ্ডৱসকলৰ সৈতে কিছুদিনলৈ অতিবাহিত কৰিছিলোঁ। তাৰ পাছত তোমাক চাবলৈ ইয়ালৈ আহিলোঁ।" মহামুনিয়ে ক'লে।

ধৃতৰাষ্ট্ৰই সুধিলে, "হে মুনীশ্বৰ, পাণ্ডৱসকল মংগলমতে আছে নিশ্চয়? সিহঁতে নিয়মভংগ কৰি বনবাসৰপৰা উভতি নাহিব নহয়?"

"পাণ্ডৱসকলে কদাপি নিয়ম লংঘন নকৰিব।—মই মায়াবী পাশতিৰ বিষয়ে বৃত্তান্ত শ্ৰৱণ কৰিলোঁ। পাণ্ডৱহেন সৎ পুৰুষসকলৰ সৈতে তোমাৰ পুত্ৰসৰে যি অন্যায় অনুষ্ঠান কৰিল— তাৰ তুলনা নাই।" তাৰ পাছত ,মৈত্ৰেয় মহামুনিয়ে দুৰ্যোধনক ক'লে, "তোমাৰ মাজত সামান্যমানো সৎ বুদ্ধি থকাহেঁতেন—তুমি পাণ্ডৱসকলৰপৰা অতুল মৰম-সহযোগ লভিলাহেঁতেন। পাণ্ডৱসকল হ'ল মহাশূৰ। ভীমে ইতোমধ্যেই কাম্যকবনৰ মহাৰাক্ষস কিৰ্মীৰক বধিলে। ভীমে যে বক, ডিম্ভিবু, জৰাসন্ধকো বধিলে— জানাই। আৰু— পাণ্ডৱসকলৰ সৈতে আছে ৰজা দ্ৰুপদ, কৃষ্ণ প্ৰমুখ।—কিয়নো তুমি পাণ্ডৱক শত্ৰু কৰি তুলিলা?"

এই কথাৰ উত্তৰত দাম্ভিক দুৰ্যোধনে ধেমালিৰে ভূমিত গোৰ মাৰি আপন জংঘাত চাপৰ মাৰিলে, আৰু মহামুনিয়ে ক্ৰুদ্ধ কণ্ঠেৰে দুৰ্যোধনক ক'লে, "তোমাৰ এই জংঘা—যুদ্ধক্ষেত্ৰত ভীমে ভংগ কৰিব।"

মহাৰাজ ধৃতৰাষ্ট্ৰই প্ৰমাদ গণি কৈ উঠিল, "হে মহামুনি, দয়া কৰক। এনেকুৱা হ'বলৈ নিদিয়োক।"

মহামুনি মৈত্ৰেয়ই ক'লে, "তেনেহ'লে তোমাৰ পুত্ৰসৰক কোৱা—পাণ্ডৱৰ সতে নিৰৰ্থক দ্বন্দ্ব কৰাৰপৰা বিৰত হওক।" এই বুলি কৈ মহামুনিয়ে প্ৰস্থান কৰিলে।

আৰু দুৰ্যোধনে নিজক নিজে কোৱাদি ক'লে, "ভীমে কেনেকৈনো কাম্যকবনৰ কিৰ্মীৰ ৰাক্ষসক বধিলে?" [আগলৈ



# তৃতীয় হ'ল প্ৰথম

অমলপুৰ অঞ্চলৰ দশহৰা উচৱ বৰ ধুমধামেৰে পালন কৰা হৈছিল। উচৱ দহ দিন ধৰি চলিছিল, আৰু উৎসাহী কলাকাৰইতে নাট-নৃত্য-গীতৰ প্ৰদৰ্শন কৰিছিল।

প্ৰতিটো বিভাগৰ প্ৰথম হোৱাজনক পুৰস্কাৰ-উপহাৰৰ উপৰিও ৰাজকীয় কৰ্মত মকৰল কৰা হৈছিল। এই বিষয়ৰ শ্ৰেষ্ঠত্ব-নিৰ্ধাৰক আছিল - মহামন্ত্ৰী।

এবাৰ নাট্য-ক্ষেত্ৰত তিনিজন কলাকাৰক উত্তম অভিনেতা হিচাপে বাছি উলিউৱা হ'ল। প্ৰথম হৈছিল —মহাৰাজৰ খুলশালিয়েকৰ বন্ধু এজন ৰাজকোঁৱৰ ৰবিবৰ্মা। দ্বিতীয় আছিল সেনাধিপতিৰ পুত্ৰ শশিকান্ত। আৰু—তৃতীয় আছিল এজন হালোৱাৰ ল'ৰা—জয়দেৱ।

প্ৰথম ৰবিবৰ্মা আছিল ত্ৰুটিহীন, দ্বিতীয় শশিকান্তৰ এটা মাত্ৰ ত্ৰুটি হৈছিল, আৰু তৃতীয় জয়দেৱে দুটা ত্ৰুটি কৰিছিল। তিনিওজনেই ৰাজকোঁৱৰৰ ভাও দিছিল।

সকলোটিয়েই বুজি পালে যে প্ৰথম পুৰস্কাৰটো ৰবিশৰ্মায়েই পাব। কিন্তু মহামন্ত্ৰীয়ে ৰাজকোঁৱৰৰ ভাৱত হালোৱাৰ ল'ৰা জয়দেৱক প্ৰথম পুৰস্কাৰ দিলে।

পাছত মহাৰাজে মহামন্ত্ৰীক ক'লে, "মহামন্ত্ৰী, আপুনি তৃতীয়ক কিয় প্ৰথম পুৰস্কাৰ দিলে ?"

মহামন্ত্ৰীয়ে হাঁহিৰে সৈতে ক'লে, "মহাৰাজ, ৰবিবৰ্মা আছিল নিজেই ৰজাৰ কোঁৱৰ, আৰু শশিকান্তৰো সদা-সৰ্বক্ষণেই ৰজাৰ কোঁৱৰসকলৰ সৈতে উঠা-বহা। গতিকে—সিহঁতৰ ৰাজকোঁৱৰৰ ভাৱত বিস্ময়কৰ একো আছেনে ? কিন্তু —হালোৱাৰ ল'ৰা জয়দেৱে যেনেকৈ অপূৰ্বভাবে ৰজাৰ কোঁৱৰৰ ভাও দিছিল—সি আছিল সঁচাকৈয়েই বিস্ময়কৰ আৰু সেইহে - তৃতীয় হ'ল প্ৰথম।"

## ভাৰতৰ বৃক্ষৰাজি

কাগজৰ আৱিষ্কাৰৰ আগতে ছাগচৰ্মৰ ওপৰত, তালপাতৰ ওপৰত লিখা হৈছিল। নেপাল, তিব্বত আদি দেশত সুপ্ৰাচীন পবিত্ৰ গ্ৰন্থসমূহ তাল-পাতত লিখিত হৈছিল। নেপালদেশত এই পদ্ধতি আনকি আজিও চলি আছে। আমাৰ দেশৰ কিছুমান গ্ৰন্থালয়ত তাল-পাতৰ পাণ্ডুলিপি সংৰক্ষিত আছে। মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ অ'ৰিয়েণ্টাল ম্যানাছক্ৰিপ্ট গ্ৰন্থালয়ত, তথা তাঞ্জাউৰত থকা সৰস্বতী মহল পুস্তকালয়ত তাল-পাতৰ গ্ৰন্থ আছে। তাল-পাতত লিখিত আখৰবোৰ অধিক সহস্ৰ বছৰৰ অন্ততো অক্ষত-অপৰিৱৰ্তিত হৈ আছে। এই তালপাতত আনকি চিত্ৰও আঁকা হৈছিল, আৰু সেই চিত্ৰবোৰ আজিও একেদৰেই আছে।

তাল-গছক তামিল ভাষাত 'পনৈ', মালয়ালমত 'পমা', হিন্দীত 'তাল', গুজৰাটি-মাৰাঠীত 'তাড়', বাংলা-অসমীয়াত 'তাল', তেলুগুত 'তাড়িচেট্ট' বুলি কয়। কলিকতাৰ অনতিদূৰত সুপ্ৰসিদ্ধ তাৰকেশ্বৰালয়ত তাল-পাতৰে মেৰিয়াই শিৱলিংগ প্ৰতিষ্ঠা কৰা হৈছিল — যি আজিও বিদ্যমান।

আমাৰ দেশৰ তালগছ সমতলভূমিতেই অধিককৈ ওপজে। গংগাতটৰপৰা আৰম্ভ হৈ কন্যাকুমাৰীলৈকে তাল-বৃক্ষৰ সমদল পৰিলক্ষিত হয়। এই বৃক্ষৰ ৩০-৪০ চে. মি. ৰপৰা ৬০-৭০ চে. মি. লৈকে ওখ হয় আৰু পাতবোৰ চাৰিওফালে বিয়পি পৰে।



ঘৰৰ চালৰ নিৰ্মাণতো তাল-পাত ব্যৱহৃত হয়। তাল-পাতেৰে ঢাৰি, পাচি আদিও বনোৱা হয়, তাল-পাতৰ বিচনি --জহকালি নহ'লেই নহয়। তালৰ ৰসো বলবৰ্দ্ধক। তালৰ ফলৰপৰা বনোৱা বড় অতি উপাদেয় খাদ্য। তাল-বৃক্ষ আগৰপৰা গুৰিলৈকে মানৱসমাজৰ পক্ষে এক অত্যন্ত প্ৰয়োজনীয় বৃক্ষ।

ভাৰতৰ ঋষিকুল

# উপমন্যু

উপমন্যু আছিল অযোধ্যাৰ ধৌম্যৰ শিষ্য। কিন্তু বিদ্যাভ্যাসৰ সমাপ্তিৰ অন্ততো গুৰুৱে উপমন্যুক আশ্ৰমত থাকিবলৈ ক'লে, আৰু আশ্ৰমৰ গাভীবিলাকক চৰাবৰ আদেশ প্ৰদান কৰিলে।

গুৰুৰ আদেশ মতে উপমন্যুৱে গাভীবিলাকক চৰনি-পথাৰলৈ লৈ গ'ল আৰু গোধূলিৰ আগে আগে গৈ পুনৰ আশ্ৰমলৈ উভতি আহিল।

গুৰুৱে উপমন্যুক সুধিলে, "তুমি ওৰে দিনলৈ চৰণীয়া পথাৰতে কটালা। যেতিয়া ভোক লাগিল—কি আহাৰ কৰিলা ?"

"তেতিয়া চুবুৰীয়াৰপৰা ভিক্ষা কৰি যি পালোঁ—তাকেই আহাৰ কৰিলোঁ।" উপমন্যুৱে ক'লে।

"কিন্তু গাভীবিলাকক এইদৰে এৰি যোৱাটো ঠিক নহয়।" গুৰুৱে ক'লে।

কিছুদিনৰ অন্তত গুৰুৱে পুনৰ এদিন উপমন্যুক সুধিলে "শিষ্য, যেতিয়া ভোক লাগে—কি কৰা ?"

"গাভীবিলাকক লৈ আহি,আশ্ৰমতে থৈ, গাঁৱত ভিক্ষা কৰি যি পাওঁ—তাৰে ক্ষুধাৰ নিবৃত্তি কৰোঁ।"

"সন্ধ্যাকালত গৃহস্থক জলা-কলা কৰাটো অবিধেয়। আৰু গাঁৱত ভিক্ষা কৰি যি পোৱা যায়—সেয়া আশ্ৰমৰহে প্ৰাপণীয়, তোমাৰ অধিকাৰ নাই।" গুৰুৱে ক'লে।

কিছুদিনৰ অন্তত গুৰুৱে পুনৰ এদিন সেই একেটাই প্ৰশ্ন সুধিলে। উত্তৰত উপমন্যুৱে ক'লে, "গাভীৰ দুগ্ধ পান কৰি ভোক-পিয়াহ গুচাওঁ।"

গুৰুৱে ক'লে, "মই কিন্তু মই তোমাক এই অনুমতি দিয়া নাই।"

কিছুদিনৰ অন্তত গুৰুৱে উপমন্যুক সেই একেটাই প্ৰশ্ন সোধাত উপমন্যুৱে ক'লে, "দামুৰিবিলাকে যেতিয়া মাতৃদুগ্ধ পান কৰি উভতি আহে, তেতিয়া—দামুৰিবিলাকৰ মুখত লাগি থকা দুগ্ধফেন খাই ভোক গুচাওঁ।

"ই-ও অনুচিত।" গুৰুৱে ক'লে।

পাছদিন সায়ংকালত গাভীবোৰ আশ্ৰমলৈ

উভতি আহিল, কিন্তু উপমন্যু নাহিল। তেতিয়া গুৰুৱে আন কেইজনো শিষ্যক লগত লৈ শিষ্য উপমন্যুক বিচাৰি ওলাল, আৰু বিচাৰি বিচাৰি উপমন্যুক এটা গাঁতৰ ভিতৰত পৰি থকা দেখা পাই গাঁতৰপৰা উলিয়াই আনিলে আৰু তাৰ এই দুৰ্দশাৰ কাৰণ সুধিলে।

উপমন্যুৱে গুৰুক ক'লে, "ক্ষুধা সহিব নোৱাৰি এজোপা বিৰিখৰপৰা কিছুমান ফল খাই দৃষ্টিহীন হৈ পৰাত মোৰ এই অৱস্থা হ'ল।"

গুৰুৱে উপমন্যুক অশ্বিনী দেৱতাৰ ধ্যান কৰিবলৈ ক'লে তাৰ দৃষ্টি ঘূৰাই পাবলৈ।

উপমন্যুৰ ধ্যানত অশ্বিনী-দেৱতাই দেখা দিলে, আৰু উপমন্যুক আহাৰ্য প্ৰদান কৰিলে। কিন্তু গুৰুৱে নিষেধ কৰাত উপমন্যুৱে আহাৰ্য্য স্পৰ্শও নকৰিলে, আৰু অশ্বিনী-দেৱতাক ক'লে, "মই যিয়েই প্ৰাপ্ত হ'ম প্ৰথমতে গুৰুৰ চৰণলৈ সমৰ্পিম।"

"তোমাৰ গুৰুভক্তি অসাধাৰণ। তোমাৰ কেৱল সাধাৰণ বাহ্যদৃষ্টিয়েই নহয়, অন্তদৃষ্টিৰো বৰ প্ৰদান কৰিছোঁ"—এই বুলি কৈ অশ্বিনী-দেৱতা গুচি গ'ল।

পূৰ্বকালত গুৰুৱে শিষ্যৰ ভালৰ কাৰণে বিধেবিধ পৰীক্ষা-নিৰীক্ষাৰে সোণহেন কৰি তুলিছিল। আৰু উপমন্যু এই বিষয়ৰ এক প্ৰকৃষ্ট উদাহৰণ।

# জানিবলগীয়া

১. স্যাৰ ৰ'জাৰ ব্যানিস্টাৰ কেনেকৈ খ্যাতিমান হৈছিল ?
২. মহাকাশযাত্ৰীসকলে আকাশখনক নীলৰ সলনি অন্য ৰঙত দেখে। কি ৰং ?
৩. ৰঙা গ্ৰহ—কোন গ্ৰহক কোৱা হয় ?
৪. পুতলানাচৰ জন্ম ক'ত ?
৫. আগ্ৰা নগৰ কোনে-কেতিয়া প্ৰতিষ্ঠা কৰিছিল ?
৬. ৰূপালী জয়ন্তী হ'ল ২৫ বছৰীয়া. পেপাৰ-জয়ন্তী কি ?
৭. অঘৰীইঁতে কি ভাষাৰে মাত-বোল কৰে ?
৮. বাটিক-চিত্ৰকলা আদিতে কোন দেশৰ আছিল ?
৯. ১৯২১ চনৰ আগতে টেব্‌ল্-টেনিছ অন্য নামেৰে অভিহিত আছিল। কি ?
১০. তেজৰ চাৰিটা শ্ৰেণী কি কি ?
১১. সোণ আৰু মূল্যৱান প্ৰস্তৰৰ কাৰণে ওজন কৰাৰ মধ্যম কি ?
১২. চিঠিৰ বাকচবোৰ সাধাৰণতে ৰঙা বৰণৰ হয়। কিন্তু এসময়ত অন্য বৰণৰ আছিল। কোন বৰণৰ ?
১৩. এটি বাদে—অন্যান্য সংখ্যা ৰোমানেৰে লিখিত পাৰি। সেই সংখ্যাটো কি ?
১৪. জেব্ৰাৰ বিশেষ বৈশিষ্ট্য কি ?
১৫. শ্বেতহস্তীৰ দেশ কোনখন ?
১৬. কোনগৰাকী মহিলা বৈমানিকে অ্যাটলান্টিক মহাসাগৰ উৰাজাহাজেৰে অতিক্ৰম কৰিছিল ?

## জানক

১. তেওঁ এক মাইল পথ ৪ মিনিটতকৈও কম সময়ত দৌৰিছিল।
২. বেঙুনিয়া।
৩. মংগল গ্ৰহ।
৪. মিছৰ আৰু ভাৰতত।
৫. ছিকন্দৰ লোদি, ১৫০৬ চনত।
৬. প্ৰথম,।
৭. ৰোম্যানি।
৮. ইন্দোনেজিয়া।
৯. পিং পং। এই খেলাৰ আৱিষ্কৰ্তা আছিল এক বৃটিছ প্ৰতিষ্ঠান।
১০. এ., বি., ও., আৰু এ-বি.
১১. ক্যাৰাট।
১২. সেউজীয়া।
১৩. জিৰো—শূন্য।
১৪. দুটা জেব্ৰাৰ গাঁত একেই দাগ নহ'ব।
১৫. ছিয়াম ( আজিৰ আইল্যাণ্ড )।
১৬. অ্যামেলিয়া এৰহাৰ্ট, ১৯২৮ চনত।

# সোণালী দুৱাৰৰ প্ৰশ্নাৱলী ৩ ঃ উত্তৰ

১. অহিংসক।

২. শহাপহু। অস্ট্ৰেলিয়াত এতিয়া অসংখ্য শহাপহু হৈছে, আৰু এইবিলাকে খেতি-বাতিত বিপদৰ সৃষ্টি কৰিছে। ইহঁতে গৰু-ভেড়াৰ চৰণীয়া-পথাৰৰ ঘাঁহ-পাত খাই উবাৰ কৰিছে।

৩. টিপু ছুলতান।

৪. তিনি। প্ৰথমটো বগা আৰু দ্বিতীয়টো ক'লা হয় যদি—তৃতীয়ই এযোৰ বনাব।

৫. সোমনে তাৰ নাৱত হাতীটোক উঠাব আৰু পানীৰ সীমাৰ জোখ ল'ব। তাৰ পাছত সি পানীৰ সেই সীমালৈকে তাৰ নাৱত বালি ভৰাই থাকিব। আৰু তাৰ পাছত—সেই বালিখিনি ওজন কৰিলেই হাতীৰ ওজন ওলাই পাৰিব।



৬. প্ৰথমতে বৰতোপ-গোলাবোৰ তিনিটা ভিন ভিন ভাগ কৰা, তিনি, তিনি, আৰু দুই। এতিয়া প্ৰথম দুভাগক— ইভাগৰ বিপৰীতে সিভাগক ওজন কৰা। সেই দুই ভাগ যদি একেই হয়, বাদবাকী কম ওজনৰ বৰতোপৰ গোলাটোৰ ওজন ওলাই পৰিব। যদি প্ৰথম দুভাগ বৰতোপৰ ওজন একেই সমান নহয়, দুভাগৰ বৰতোপৰ গোলাৰপৰা এটাকৈ গোলাৰ ওজন বেলেগে বেলেগে ল'লেই পাৰ্থক্য ওলাই পৰিব।

৭. অন্য পৃথিৱীলৈ যাত্ৰাৰ বাবে এয়া আছিল সিহঁতৰ ভাড়া।

পঞ্চশাৰীত দহোটা লাওখোলা



# ক্ষমতাৰ নহয়, দক্ষতাৰ দাম

বহুকালৰ আগৰ কথা। তেতিয়াৰ কালত ত্ৰিচুৰৰাজ্যৰ ৰজা আছিল চন্দ্ৰসেন। মহাৰাজ চন্দ্ৰসেন আছিল শাসনদক্ষ ৰজা। তেওঁ অভিযোক্তা আৰু অভিযুক্তৰ সৈতে সম-ব্যৱহাৰ কৰিছিল।

ত্ৰিচুৰ দেশত ঐৰাৱত-নামৰ এখন গাঁও আছিল, যিখন গাঁৱৰ সকলোটি আছিল অল্পাধিক লিখা-পঢ়া জনা আৰু স্বাৱলম্বী। মহাৰাজ চন্দ্ৰসেনে বিলম্ব নামৰ এজন ব্যক্তিক ঐৰাৱত গাঁৱত গ্ৰামাধিকাৰী হিচাপে নিযুক্তি দিছিল।

বিলম্ব আছিল দাম্ভিক, গাঁৱৰ ৰাইজৰ ওপৰত দম্ভৰ প্ৰকাশ কৰি ভাল পাইছিল। আৰু এই কাৰণে, গাঁৱৰ ৰাইজ বিলম্ব গ্ৰামাধিকাৰীৰ ওপৰত বিতুষ্ট হৈ উঠিছিল।

এই কথাত ঐৰাৱতীয়া ৰাইজে তেওঁলোকৰ হৈ মাত মাতিবলৈ সুবাহু পোনতে—গ্ৰা মা ধি কা ৰী বিলম্বই সুবাহুক যথোচিত মৰ্য্যাদাৰে গ্ৰহণ কৰিলে আৰু বিলম্বৰ ওপৰত সুবাহুও তুষ্ট হ'ল। গাঁৱৰ ৰাইজৰ হৈ ইকথা সিকথা যত কথা সুবাহুৱে কৈছিল, বিলম্বই মনপুতি শুনিছিল, আৰু প্ৰতিকাৰৰ আশ্বাস দিছিল।

সুবাহু আছিল নিঃসংকোচ স্পষ্টবাদী ব্যক্তি। যেই কোনো অভিযোগৰ কথা খা ৰা ং খা চ কৈছিল, কিন্তু আঁৰত নচৰ্চ্চিছিল। কিন্তু বিলম্বই সুবাহুৰ স্পষ্টবাদিতাক সহিব নোৱাৰিছিল, আৰু এই কথাতে বন্ধুস্থানীয়হেন হৈ উঠা সুবাহুৰ সৈতে বিলম্বৰ লাগিল দন্দ। বিলম্বই সুবাহুক নানাধৰণে জোকাবলৈ ধৰিলে, আৰু অৱশেষত এদিন গাঁৱৰপৰা সুবাহুক বহিষ্কাৰৰো আদেশ দিলে।

এই কথাত পূৰা গাঁৱৰ ৰাইজ সুবাহু

পৰিমল পাঠক

সলনি কোনোবা যোগ্য গ্ৰামাধীকাৰীক নিযুক্তিৰ বাবে মহাৰাজক খাটিলে। সুবাহুৱে মহাৰাজক ক'লে, "মহাৰাজ, আপুনি যদি বিলম্বৰ অপৰাধক লঘু ভাবি ক্ষমা কৰি দিয়া—অন্যান্য বিষয়সকলেও অল্পাধিক আস্ফালি থাকিব। সাপৰ যেনেকৈ সরু-বৰ নাই, অত্যাচাৰীৰো সরু-বৰ নাই। আপুনি অযথা বিলম্ব নকৰি বিলম্বক গ্ৰামাধিকাৰীৰ পদৰপৰা অপসাৰণ কৰাহে কিজানি ভাল হ'ব।"

অতঃপৰ সুবাহুৰ কথা মানি লৈ বিলম্বক গ্ৰামাধিকাৰীৰ পদৰপৰা অপসাৰণ কৰিলে, আৰু সুবাহুকে ঐৰাৱত গাঁৱৰ গ্ৰামাধিকাৰীৰ পদ ল'বলৈ ক'লে।

সুবাহুৱে মহাৰাজক ক'লে, "হে মহাৰাজ, মোক এই বিষয়ে ক্ষমা কৰক। এইদৰে মই নিজক লেতেৰা আত্মস্বাৰ্থী বুলি প্ৰমাণ কৰিব নোৱাৰোঁ। তেতিয়া গাঁৱৰ ৰাইজেও—মই গ্ৰামাধিকাৰী হোৱাৰ মনেৰেহে বিলম্বৰ বিৰোধিতা কৰিছিলোঁ বুলি ক'ব। আৰু—কেৱল মই নহয়, আমাৰ গাঁৱৰ কোনোৱেই এই পদ ল'ব বুলি মই নাভাবোঁ। আপুনি আপোনাৰ মনে-খোৱা মতে আন কাৰোবাক আমাৰ গ্ৰামাধিকাৰী পাতক, মই মানি ল'ম।"

মহাৰাজে সুবাহুৰ-নিৰ্লোভ-নিঃস্বাৰ্থতাৰ শলাগ ল'লে। আৰু পাছত—মহাৰাণীৰ দূৰ-সম্পৰ্কীয় এজন আত্মীয় মাৰীচ নামৰ নামৰ ব্যক্তি এজনক নেতা নিৰ্বাচিলে। গ্ৰামাধিকাৰী বিলম্বৰ বিৰুদ্ধে সৰৱ হৈ উঠিল। ৰাইজে সুবাহুক পৰিপূৰ্ণভাবে সমৰ্থন কৰিলে আৰু বিলম্বক তেওঁলোকৰ গাঁৱৰপৰা গুচি যাবলৈ ক'লে।

বিলম্বই ঐৰাৱতীয়াক ডাণ্ডাৰে ঠাণ্ডা কৰিবলৈ সৈন্য পঠাবলৈ মহাৰাজলৈ বাৰ্তা পঠালে আৰু বিষয়টোৰ ৰেখ কৰিবলৈ স্বয়ং মহাৰাজ ঐৰাৱত গাঁৱলৈ আহিল।

সত্য জানি, মহাৰাজে বিলম্বক বিলম্বক সতৰ্ক কৰিলে, বিলম্বয়ো নিজৰ ত্ৰুটি স্বীকাৰ কৰি আগলৈ এইবোৰ বিষয়ত সাৱধান হোৱাৰ প্ৰতিশ্ৰুতি দিলে।

কিন্তু সুবাহুৱে বিলম্বৰ আশ্বাস মানি ল'বলৈ অস্বীকাৰ কৰিলে আৰু বিলম্বৰ

যোগ্যৱান ব্যক্তিজনক ঐৰাৱত গাঁৱৰ গ্ৰামাধিকাৰীৰ পদ ল'বলৈ প্ৰস্তাৱ কৰিলে। তেওঁ মাৰীচক ক'লে, "সেই গাঁৱৰ ৰাইজৰ নেতা হ'ল—সুবাহু নামৰ এজন সদ্বিবেচক ব্যক্তি। তেওঁৰ সৈতে তোমাৰ সম্পৰ্ক ভাল নোহোৱাৰ কাৰণ নেদেখোঁ। আৰু—ঐৰাৱত গাঁৱত তুমি ভালেই পাবা বুলি মোৰ বিশ্বাস।"

মাৰীচ আছিল বিদ্বান ব্যক্তি, যথেষ্ট বুদ্ধিশালীও। যদিও গ্ৰামাধিকাৰীহেন বেমেজলীয়া কামৰ দায়িত্ব লোৱাটো বৰ সুখকৰ নহয়, তথাপি মহাৰাজৰ কথাত নহয়' বুলিও ক'ব, নোৱাৰিলে।

গ্ৰামাধিকাৰীৰূপে মাৰীচৰ যোগ্যতাৰ ফলত ঐৰাৱত গাঁৱৰ সুখ-সমৃদ্ধি বাঢ়ি থাকিল আৰু ক্ৰমে ক্ৰমে সুবাহুও মাৰীচৰ বন্ধু হৈ উঠিল।

চাওঁতে চাওঁতে তিনি বছৰ পাৰ হৈ গ'ল। এদিন মহাৰাজে মাৰীচক ৰাজধানীলৈ মতাই নিয়ালে আৰু তাৰ পাছত মাৰীচক ক'লে, "আৰু এবছৰৰ অন্তত—গ্ৰামাধিকাৰী হিচাপে তোমাৰ ম্যাদ পূৰা হ'ব। তাৰ পাছত এই পদত আন কোনোবা নিযুক্ত কৰিব লাগিব। তোমাৰ চিনাকি যোগ্য প্ৰাৰ্থী যদিহে কোনোবা আছে—মোক ক'ব পাৰা।"

মাৰীচে বিনম্ৰভাৱে ক'লে, "মহাৰাজ, গ্ৰামাধিকাৰী হিচাপে মোৰ কাৰ্য্যকালত ঐৰাৱত গাঁৱৰ ৰাইজ সুখী আৰু সমৃদ্ধ। মোকেই এই পদত পুনৰ নিযুক্ত দিয়ক—এয়ে মোৰ প্ৰাৰ্থনা। আৰু এই কথাত ঐৰাৱতীয়া ৰাইজে ভালেই পাব।"

মহাৰাজ চন্দ্ৰসেনে মাৰীচক ক'লে, "পোনতে—এই পদৰ প্ৰতি তোমাৰ কোনো আকৰ্ষণ নাছিল। আৰু—এতিয়া তুমি পদৰ মোহত সাঙোৰ খাই পৰিছা। এয়া — কোনো উত্তম ব্যক্তিৰ তথা ব্যক্তিত্বৰ লক্ষণ নহয়।" ক্ষন্তেকপৰলৈ মৌন হৈ থকাৰ অন্তত তেওঁ পুনৰ ক'লে, "চাৰি বছৰৰ বাদে বাদে যে নতুনকৈ গ্ৰামাধিকাৰী পতা হয়—তুমি জানাই। সেই প্ৰথা ভংগ কৰিব নোৱাৰোঁ।"

তেতিয়া মাৰীচে ক'লে, "মহাৰাজ,

মই যি উচিত বুলি ভাবিছোঁ, কৈছোঁ। আচলতে—এই পদলৈ মোৰ কোনো মোহ নাই। যিজনৰ মাজত এই পদলৈ মোহ থাকিব, তেওঁ এই ঐৰাৱত গাঁৱত টিকি থাকিব নোৱাৰিব। মই যদি মন কৰোঁ—এই পদত অহা চাৰিৰছৰলৈ মোক নিযুক্তি দিবলৈ আপোনাকো একপ্ৰকাৰে বাধ্য কৰিব পাৰোঁ। কিন্তু—আপোনাৰ আদেশ মই শিৰোধাৰ্য্য কৰিলোঁ।"এই বুলি কৈ মাৰীচ ঐৰাৱত গাঁৱলৈ উভতি গ'ল।

আৰু সেইদিনৰেপৰাই মাৰীচৰ আচৰণ বিপৰীত হৈ উঠিল। মাৰীচে সুবাহুৰ ওপৰত দৰ্প-দম্ভ প্ৰকাশ কৰিবলৈ ধৰিলে, আৰু সুবাহুৰ সকলো ধৰণৰ সৎ কামতো বাধাৰ সৃষ্টি কৰি থাকিল।

কিন্তু সুবাহুও এবাবিধৰ ভকত নাছিল। সুবাহুৱে ৰাইজক মাৰীচৰ এইবোৰ লেতেৰা আচৰণৰ কথা বুজাই ক'লে। কিন্তু মাৰীচো কম নাছিল। মাৰীচে কেৱল সুবাহুৰ প্ৰতিহে অন্যায় আচৰণ কৰিছিল, গাঁৱৰ ৰাইজলৈ কৰিছিল অতি বিনম্ৰ আচৰণ।

সুবাহুৱে এদিন মহাৰাজক গোচৰ দিলেকৈ মাৰীচৰ বিৰুদ্ধে। স্বয়ং মহাৰাজ চন্দ্ৰসেন ঐৰাৱতলৈ আহিল। সুবাহুৱে গ্ৰামাধিকাৰীৰ পদৰপৰা মাৰীচৰ অপসাৰণ দাবী কৰিলে।

মহাৰাজে সুবাহুক সুধিলে, "মাৰীচৰ অপৰাধ কী?"

"মই ঐৰাৱতীয়া ৰাইজৰ নেতা, সেইহে তেওঁ মোৰ বিৰুদ্ধে আচৰণ কৰিছে, অন্যায় অছিলাৰে দুৰ্ব্যৱহাৰ কৰিছে।"

মাৰীচক মহাৰাজে সোধাত মাৰীচে ক'লে, "মহাৰাজ, ৰাইজৰ নেতা হোৱাত তেওঁ নিজেই মোৰ লগত অযথা দুৰ্ব্যৱহাৰ কৰা হৈছে। আৰু—আমাৰ মাজত চলি থকা এই বিৰোধ হ'ল আমাৰ ব্যক্তিগত বিৰোধ। যদি ঐৰাৱতৰ ৰাইজৰ প্ৰতি কোনো অন্যায় মই কৰিছোঁ বুলি এওঁ প্ৰমাণ কৰিব পাৰে, মই ইস্তফা দিবলৈ সাজু। আপুনি এই বিষয়ে গাঁৱৰ যাক মন যায় সুধিব পাৰে।"

মহাৰাজে ক'লে, "আপোনালোক

উভয়েই উত্তম ব্যক্তি, সক্ষম ব্যক্তি। গতিকে—নিজৰ নিজৰ ক্ষোভ—ব্যক্তিগত সীমাতে সীমাৱদ্ধ ৰাখিলেহে ভাল। গাঁৱৰ অনিষ্টকৰ কোনো কাৰ্য্য নকৰক।"

তেতিয়া মাৰীচে ক'লে, "ত্ৰুটি—আমাৰ উভয়েৰেই হৈছে। ঠিক আছে। মই নিজৰ ত্ৰুটি শুধৰাই ল'ম।"

সুবাহুৱেও তেনেকৈ ক'লে।

আৰু তেতিয়া মহাৰাজে আৰু চাৰি-বছৰৰ বাবে মাৰীচক গ্ৰামাধিকাৰী হিচাপে নিযুক্ত দিলে।

পাছত মহামন্ত্ৰীয়ে মহাৰাজক চন্দ্ৰসেনক ক'লে, "মহাৰাজ, আপুনি যেতিয়া প্ৰথমে মাৰীচক গ্ৰামাধিকাৰী পাতিছিল, মাৰীচে অনিচ্ছাত — আপোনাৰ কথাৰ মান ৰক্ষা কৰি আপোনাৰ মন ৰক্ষা কৰিছিল —সেই পদ লৈছিল। —কিন্তু এতিয়া, যেতিয়া মাৰীচে সেই পদৰ কিছু অপ-ব্যৱহাৰ কৰা হ'ল—

যি-কাৰণে বিলম্বক অপসাৰিত কৰিলে, সেই একেই কাৰণত আপুনি তাৰ দোষলৈ মুঠেই মন নকৰিলে, তাৰ কাৰ্য্যকাল বৃদ্ধিহে কৰিলে। আমাৰ মহাৰাণীৰ আত্মীয় হোৱাতেহে মাৰীচলৈ এইদৰে মৰম পতিয়ালেনে, মহাৰাজ?"

মহাৰাজ চন্দ্ৰসেনে মিঠাকৈ হাঁহিৰে ক'লে, "ক'লে, "কথা তেনেকুৱা নহয়। বিলম্বই গাঁৱৰ ৰাইজৰ বিৰোধী হৈছিল, কিন্তু মাৰীচে গাঁৱৰ ৰাইজৰ কোনো ক্ষতি কৰা নাছিল, মাৰীচ আছিল গাঁৱৰ ৰাইজৰ —প্ৰিয়পাত্ৰ। মাৰীচে তাৰ প্ৰকৃত কামত যথেষ্ট দক্ষতা প্ৰদৰ্শন কৰাৰ বাবেই তাৰ কাৰ্য্যকাল বৃদ্ধি কৰা হৈছিল। ক্ষমতাৰ নহয়—দক্ষতাৰ দাম তো দিবই লাগে। —এই বিষয়ে আপোনাৰ মতামত কি?"

মহামন্ত্ৰীয়ে মহাৰাজৰ দৃষ্টিভংগীৰ শলাগ লৈ ক'লে, "মহাৰাজ, মাৰীচ আৰু সুবাহুৰ তুলনাত আপুনি যে বহুগুণে চতুৰ —সেই কথাত এতিয়া আৰু মোৰ মনত কোনো সন্দেহ নাই।"

# সন্ধ্যাদীপৰ কাহিনী

মথুৰা নগৰত ৰাঘৱ নামৰ এজন ব্ৰাহ্মণ যুৱা আছিল — মহা দৰিদ্ৰ। কিন্তু মহাদৰিদ্ৰ হোৱা সত্বেও—বংশাভিমান হেতুকে কাৰোপৰা একো খোজা নাছিল। ৰাঘৱে মথুৰানগৰৰ বৈষ্ণৱ-মন্দিৰৰ কাযতে থাকিছিল, আৰু সেইহে, বৈষ্ণৱ-মন্দিৰৰ ভক্তসৱে দিয়া প্ৰসাদেৰে ভোকৰ নিবৃত্তি কৰিছিল। দেখন-দৰ্পণে ৰাঘৱ আছিল সুকান্তি, সুস্বভাৱ আৰু বলিষ্ঠ।

এনিশা তাৰ সমুখত হঠাৎ লক্ষ্মীদেৱী প্ৰত্যক্ষ হ'ল আৰু তাক ক'লে, "পুত্ৰ, তোমাৰ ওপৰত মোৰ কৃপা-দৃষ্টি পৰিল। এতিয়াৰপৰা মই তোমাৰ লগত থাকিম, আৰু তোমালৈ সৰ্ব ঐশ্বৰ্য্য প্ৰদান কৰিম।"

ৰাঘৱে লক্ষ্মীদেৱীক প্ৰণাম কৰিলে, আৰু ক'লে, "হে মাতা, মোৰ ওপৰত তোমাৰ কৃপা-দৃষ্টি পৰাত মই তোমালৈ ওলগ জনাওঁ। কিন্তু—ইমান দিন ধৰি তোমাৰ কৃপা নোহোৱাকৈয়েই মই নিঃচিন্ত জীৱন যাপি আহিছোঁ, ভক্ত-প্ৰদত্ত প্ৰসাদেৰে পেটৰ পোৰণি গুচাইছোঁ। গতিকে—তোমাৰ কৃপা মোক নালাগে। মোক যথায়ছা-কা-ত্যায়ছা — অকলেই থাকিবলৈ দিয়া।"

লক্ষ্মীদেৱীয়ে ৰাঘৱৰ কথাত বেজাৰ পাই ক'লে, "মূৰ্খ, তোমাৰ ভাগ্যলেখাত যি আছে সি হ'বই, মই তোমাৰ সৈতে তোমাৰ হৈ থাকিমেই।"

"হে মাতা, মোৰ এটি ক্ষুদ্ৰ অনুৰোধ, মাত্ৰ এই কথাটে। চাফ-চাফ কৈ দিয়া যে তুমি কিমান দিনলৈ মোৰ লগত থাকিবা।" ৰাঘৱে লক্ষ্মীদেৱীলৈ যেনিবা

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

কিবা প্ৰকাৰত বেৰহে মাৰিলে।

"বাক, বাক, ক'ম তোমাক।" এই বুলি কৈ, লক্ষ্মীদেৱীয়ে ৰাঘৱৰ কাণে কাণে কিবাকিবি ফুচফুচাই কৈয়েই তাৰপৰা নোহোৱা হৈ দিলে।

পাছদিনা সেই বৈষ্ণৱ-মন্দিৰলৈ এগৰাকী কোটি-পতি ভক্ত আহিল। তেওঁ ৰাঘৱক দেখা পাই—কিহৰ কাৰণে ক'ব নোৱাৰি—ভক্তিভাৱেৰে হাত যুৰি নমস্কাৰ কৰিলে আৰু ৰাঘৱৰ ডিঙিত পুষ্পমালা পিন্ধাই দিলে, আৰু লগতে তাক পাটৰ নব-বস্ত্ৰও পিন্ধালে। কোটিপতিৰ সৈতে অহা অন্যান্যয়ো ৰাঘৱৰ ডিঙিত ফুলমালা পিন্ধাই দিলে।

মন্দিৰত পূজা দিয়াৰ অন্তত এওঁলোকে দৰিদ্ৰ-ভোজন কৰোৱালে, আৰু ৰাঘৱক ঘৃত-দুগ্ধ-দধি সহকাৰে যথোচিত ভাবেৰে আপ্যায়ন কৰিলে।

ৰাঘৱে বৰ্ড়িয়াকৈ বুজি পালে, যে—এয়া হ'ল লক্ষ্মীদেৱীৰ খেল।

কোটিপতিৰ ঘৰত দুপৰ-ৰাতিলৈকে পূজাৰ্চ্চনা, ভজন-আৰাধনাদি চলি থাকিল, আৰু ৰাঘৱ কোটিপতিৰ ঘৰত প্ৰায় বন্দীহেন হৈ থাকিল।

তাৰ পাছত —যেতিয়া কোটিপতিৰ কবলৰপৰা চেং পিছলাদি পিছলিব পাৰিলে, তেতিয়া ৰাঘৱে লক্ষ্মীদেৱীৰ মুঠিৰপৰাও মুকুতি লভিবলৈ পোনে

পোনেই ৰজাৰ প্ৰাসাদ পালেগৈ।

কপালত তিলক, পিন্ধনত পট্টবস্ত্ৰ, ডিঙিত পুষ্পমাল্যাদি-পৰিশোভিত ৰাঘৱক দেখি প্ৰাসাদৰ পৰীয়াৰো মেল-খোৱা চকুযুৰি আধামুদা হৈ পৰিল—যেনিবা শ্ৰীবিষ্ণুহে স্বৰ্গধামৰপৰা সৰগৰীয়াটি হৈ নামি ধৰাধামলৈ আহিছেহে!

এতেকে—ৰাঘৱে বিনা বাধাৰেই গৈ গৈ ৰজাৰ শয়ন-কক্ষ পালেগৈ।

শয়ন-কক্ষত অলপমান আঁতৰে-আঁতৰে থকা দুখন সুদৃশ্য পালেঙত ৰজা আৰু ৰাণী শুই আছিল। ৰাঘৱে সোমায়েই ৰাণীৰ হাতত খামুচি ধৰিলে আৰু ৰাণীক পালেঙৰপৰা আঁজুৰি নমাই আনিলে।

ৰাণীয়ে আৰ্ত্তনাদ কৰি উঠাত মহাৰাজ

শোৱাৰপৰা উঠি বহিল, আৰু তেওঁৰ গাঁকৰ তলৰপৰা চোকৰ তৰোৱাল উলিয়াই লৈ শয়ন-কক্ষলৈ অনধিকাৰ-প্ৰবেশ-কাৰীলৈ দৃষ্টিপাত কৰাৰ লগে লগে ৰাণীৰ পালেঙৰ ওপৰত এক অতি বৃহৎ বিষধৰ সৰ্পলৈ দৃষ্টি পৰিল, আৰু তেওঁ চকুৰ পচাৰতে তৰোৱালেৰে সেই মহাবিষধৰ সফণা সাপটোক একেঘাপেৰে কাটি ছুছোৰা কৰি পেলালে।

আৰু তাৰ পাছত অচিনাকি আগন্তুকৰ শ্ৰীবিষ্ণুহেন ৰূপলৈ ঠৰ হৈ চাই থকাৰ অন্তত ক'লে, "আমাৰ প্ৰাণ সৰ্পবিষৰপৰা ৰক্ষা কৰিবলৈ স্বয়ং শ্ৰীবিষ্ণু নামি আহাযেন্ পাইছোঁ। আপুনিনো কোন ?"

"মোৰ নাম ৰাঘৰ।"

মহাৰাজ-মহাৰাণীয়ে ৰাঘৱলৈ হাত যুৰি নমস্কাৰ কৰিলে, আৰু ৰাঘৱক দেৱতা-জ্ঞানেৰে ৰাজ প্ৰাসাদতে অতি আদৰ-সাদৰৰে থকা-মেলাৰ বন্দৱস্ত কৰিলে।

এতিয়া ৰাঘৱৰ সকলোফালেই জয়-জয় ময়ময়। মহাৰাজ-মহাৰাণীয়ে দেখাতো লখিমী স্বভাৱতো **লখিমীহেন** ছোৱালী এজনীৰ সৈতে ৰাঘৱৰ বিবাহ পাতি দিলে আৰু কালক্ৰমে স্বাভাৱিক নিয়মে ৰাঘৱ সন্তানৰ পিতৃও হ'ল।

লক্ষ্মীদেৱীৰ কাৰণে ৰাঘৱে এটা ডাঙৰ লো-ৰ চন্দুক অনালে, আৰু সেই সুদৃশ্য লো-ৰ চন্দুকৰ ভিতৰত লক্ষ্মী-দেৱীৰ স্থাপনা কৰিলে।

এইদৰে চাৰি বছৰ উকলিল।

এদিন, বৃহস্পতিবাৰ দিনা, ৰাঘৱৰৰ পত্নীয়ে ঘৰৰ চিৰিয়েদি নামি আহোঁতে

চিঞৰি চিঞৰি কৈ থাকিল, "কথানো কি ?—এতিয়ালৈকো কোনেও সন্ধ্যাদীপ জ্বলোৱা নাই কিয় ?"

লক্ষ্মীদেৱীয়ে ৰাঘৱৰ কাণে কাণে সেই দিনা এই কথাকে কৈছিল: যিদিনা সন্ধ্যাদীপ নজ্বলিব, সেইদিনা-সেই ক্ষণ মই তোমাক এৰি গুচি যাম।

ৰাঘৱে লক্ষ্মীদেৱীলৈ মনে মনে প্ৰণাম জনালে আৰু মনে মনেই ক'লে: হে আই, মোক তিয়াগি যাব ধৰিছা, যোৱা, বিদায়, যোৱা।"—তাৰ পাছত ৰাঘৱে তাৰ পত্নীক ক'লে, "মোক একো নুধিবা। লো-ৰ চন্দুকত যি আছে, লোৱা ; আৰু সন্তানৰে সৈতে মাতৃগৃহলৈ যোৱাগৈ।" এই বুলি কৈ, সেই নিশাতেই পত্নীক মাতৃগৃহলৈ পঠাই দিলে।

কিছু দিনৰ অন্তত মহাৰাজে ৰাঘৱক লগত লৈ চিকাৰলৈ ওলাল। বহুতো পৰলৈকে চিকাৰ কৰাৰ অন্তত মহাৰাজে পৰিশ্ৰান্ত হৈ এজোপা গছৰ তলত ৰাঘৱৰ জঙ্ঘাত মূৰ থৈ বিশ্ৰাম লোৱাৰ পৰত টোপনীত লাল-কাল দিলে, আৰু ঠিক তেতিয়াই কাউৰী এজনীয়ে ৰজাৰ ঠিক ডিঙিৰ ওপৰত গছৰ ওপৰৰপৰা বিষ্ঠাত্যাগ কৰিলে।

ৰাঘৱে নিদ্ৰাগত ৰজাক নজগালে, আৰু ৰজাৰ কঁকালত থকা সৰু ছুৰিপাত লাহেকৈ লৈ—সেই ছুৰিপাতেৰে ৰজাৰ ডিঙিৰপৰা কাউৰীৰ বিষ্ঠা গুচাবলৈ ধৰিলে, আৰু ৰজাই তৎক্ষণাৎ সাৰ পাই শোৱাৰ-পৰা উঠি বহি 'দ্ৰোহী' 'দ্ৰোহী' বুলি আৰ্তনাদ কৰি উঠিল।

প্ৰহৰীইঁতে ৰাঘৱক বন্দী কৰিলে আৰু পাছত মহাৰাজে ৰাঘৱক প্ৰাণদণ্ডেৰে দণ্ডিত কৰিলে।

মৃত্যুদণ্ড কাৰ্য্যকৰী কৰাৰ আগতে তাৰ শেষ ইচ্ছাৰ কথা সোধাত ৰাঘৱে মহা-ৰাজক গুৰিৰেপৰা তাৰ সকলো কথা বুজাই ক'লে, আৰু প্ৰকৃত ঘটনাৰ কথা শুনি মহাৰাজে ৰাঘৱক মুক্তি দিলে।

## ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯৬ চনৰ ডিচেম্বৰৰ সংখ্যাত প্ৰকাশিত হ'ব।



MAHANTESH C. MORABAD



MAHANTESH C. MORABAD

- ফটো-নামকৰণ 'দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। প্ৰতিযোগিতা 'কোন মাহৰ বাবে' তাৰ উল্লেখ অৱশ্যেই থাকিব লাগিব। ১৯৯৬ চনৰ অক্টোবৰ মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব।
- সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
- ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

---

**১৯৯৬ চনৰ অগাষ্টমাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :**

অনিবাৰ্য্য কাৰণত এইবাৰৰ পুৰস্কাৰ স্থগিত থাকিল।

---

ভাৰতত বছৰেকীয়া বৰঙনি চান্দমামা ১২.০০ টকা মাথোন

বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026.

Printed by B.V. REDDI at Prasad Process private Ltd., 188, N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exlusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

THE MOST ENDEARING GIFT YOU CAN THINK OF
FOR YOUR NEAR AND DEAR WHO IS FAR AWAY

# CHANDAMAMA




**Give him the magazine in the language of his choice—**
Assamese, Bengali, English, Gujarati, Hindi, Kannada, Malayalam, Marathi, Oriya, Sanskrit, Tamil or Telugu
**—and let him enjoy the warmth of home away from home.**

**Subscription Rates (Yearly)**

**AUSTRALIA, JAPAN, MALAYSIA & SRI LANKA**

By Sea mail Rs **129.00** By Air mail Rs. **276.00**

**FRANCE, SINGAPORE, U.K., U.S.A., WEST GERMANY & OTHER COUNTRIES**

By Sea mail Rs.**135.00** By Air mail Rs. **276.00**

**Send your remittance by Demand Draft or Money Order favouring 'Chandamama Publications' to:**

CIRCULATION MANAGER **CHANDAMAMA PUBLICATIONS** CHANDAMAMA BUILDINGS
VADAPALANI MADRAS 600 026

PARLE

আমি কাহানিও পাহৰা নাই... যতদিন আছোঁ জীয়াই

জীয়াই থকাৰ এয়াই সঠিক উপায়।

জীৱনৰ বাটে-পথে প্ৰতি খোজেই পৰীক্ষা লয়। কেনিনো আওবাট, কেনি পিঠি দিম, তাৰেই আমাৰ পৰিচয়। নিবিছৰাকৈ, লোখোজাকৈ কাৰোবাৰ সহায়ৰ হাত বঢ়োৱা, জীৱন-পথত এনেয়েই আনৰ কামৰ সমভাগী হোৱা... ইয়াকেইতো কয়, সচাঁ মনেৰে জীয়াই থকা। আমি কাহানিও পাহৰা নাই... যতদিন আছোঁ জীয়াই, জীয়াই থকাৰ এয়াই সঠিক উপায়।

বছৰ বছৰ ধৰি ভাৰতত আটাইতকৈ বেচি বিকা বিস্কুট।

• সোৱাদ ভৰা, সঁচা শক্তি ভৰা। •

everest/95/PPL/110as